# গণ শিল্পীৰ জীৱন বিচিত্ৰা

জ্যোতি প্ৰসাদ
বিষ্ণু প্ৰসাদ ৰাভা
ব্ৰজনাথ শৰ্ম্মা
মৰাই ওজা
জয়ন্ত হাজৰিকা

জ্যোতি প্ৰসাদ
বিষ্ণু প্ৰসাদ ৰাভা
ব্ৰজনাথ শৰ্ম্মা
মঘাই ওজা
জয়ন্ত হাজৰিকা

জ্যোতি প্ৰসাদ
বিষ্ণু প্ৰসাদ ৰাভা
ব্ৰজনাথ শৰ্ম্মা
মঘাই ওজা
জয়ন্ত হাজৰিকা

জ্যোতি প্ৰসাদ
বিষ্ণু প্ৰসাদ ৰাভা
ব্ৰজনাথ শৰ্ম্মা
মঘাই ওজা
জয়ন্ত হাজৰিকা

শ্ৰীচানাৰাম কলিতা

# গণ-শিল্পীৰ জীৱন বিচিত্ৰা

আঞ্চলিক গীতত
২য় পুৰস্কাৰ
শ্ৰী [illegible] মহন্ত।

... COLLEGE
LIBRARY

শ্ৰীচানাৰাম কলিতা, এম·এ

D C Library
898

গণ-শিল্পীৰ জীৱন বিচিত্ৰা

লেখক :
শ্ৰীচানাৰাম কলিতা, এম-এ,
বৰভাগ কলেজ : পোঃ—কালাগ

898 /A

o

ৰচনাৰ সময়—জানুৱাৰী-মাৰ্চ্চ—১৯৭৯ চন।

o

প্ৰথম প্ৰকাশ :
অক্টোবৰ, ইং ১৯৭৯ চন

o

প্ৰকাশক :
শ্ৰীৰাঘৱ চন্দ্ৰ গোস্বামী

o

মূল্য—খনে ২·৭৫ টকা

o

ছপাশাল :
মুকুন্দ প্ৰেছ,
নলবাৰী : অসম

# ।। লেখকৰ প্ৰস্তাৱ ।।

'গণ-শিল্পীৰ জীৱন বিচিত্ৰা' পুথিখনিত অসমৰ সংগীত, নাটক, বোলছবি, সাহিত্য আদি কলা-জগত বাৰে ৰহনীয়া তথা চাকচিক্য কৰি তোলা পাঁচ গৰাকী মৃত স্বনামধন্য শিল্পীৰ জীৱন বৃত্ত চুম্বকৈ আলোচনা কৰা হৈছে। অসমত শিল্পীৰ পানীত হাঁহ নচৰা অৱস্থা। ইয়াত আলোচিত এই শিল্পী কেইগৰাকীৰ শিল্পী জীৱনত দৃষ্টিপাত কৰিলে তাৰেই স্বাক্ষৰ পাওঁ। জীৱিত কালততো এই মহান শিল্পীসকলে আমাৰ পৰা পাব লগাখিনি নাপালেই—মৃত্যুৰ পিছতো তেওঁলোকৰ মহান আৰু পৱিত্ৰ স্মৃতি অৱৰক্ষণৰ সম্পূৰ্ণ সু-দিহা কৰা বুলিব নোৱাৰি। বিষ্ণু ৰাভাৰ সমগ্ৰ ৰচনাৱলী 'অসম প্ৰকাশন পৰিষদে' দায়িত্ব লৈয়ো এতিয়ালৈ প্ৰকাশ কৰিবলৈ সমৰ্থ হোৱা নাই। অসমৰ জন-গণৰ হিয়াৰ আমঠু, কলিজাৰ এফাল ৰাভাদেউৰ সমগ্ৰ ৰচনাৱলী অসমৰ সমূহ জনগণৰ সম্পত্তি আৰু এই সম্পত্তি অসমৰ জনগণে ৰক্ষা কৰাটো পৱিত্ৰ কৰ্ত্তব্য। কাজেই তেওঁৰ সমগ্ৰ ৰচনাৱলী প্ৰকাশৰ ব্যৱস্থা কৰিব লাগে। জ্যোতি প্ৰসাদৰ কল্পনাৰ 'জ্যোতি চিত্ৰবন' কাহানিকৈ সম্পূৰ্ণ কাৰ্য্যকৰী ৰূপ পৰিগ্ৰহ কৰি বাচকবনীয়া হৈ উঠিব? ব্ৰজনাথ শৰ্ম্মাৰ লেখীয়া সহঅভিনয়ৰ বাট-কটীয়া সাধক শিল্পীৰ ৰচনাৰাজী প্ৰকাশৰ ব্যৱস্থা কেতিয়াকৈ হব? মবাই ওজা কলাকৃষ্টি সংঘৰ

সৌজন্যত অসম চৰকাৰে নিৰ্ম্মান কৰিবলৈ লোৱা আবাসিক শিক্ষানুষ্ঠানটি অনতি বিলম্বে ঠন ধৰি নুঠিবনে? জয়ন্ত হাজৰিকাৰ 'সুৰ বাহিনী'ৰ আদৰ্শ নামি অহা সুন্দৰৰে সেনা শিল্পী দলে বাস্তৱত ৰূপ দিব নোৱাৰেনে?

জন-গণৰ লগত সদায়ে ওতঃপ্ৰোত ভাবে জড়িত এই মহান শিল্পী পাঁচ গৰাকীৰ অপৰিসীম ত্যাগ, সাধনা আৰু নিঃস্বাৰ্থ আদৰ্শ আমাৰ উঠি অহা যুৱ মানসে পৰম নিষ্ঠাৰে গ্ৰহণ কৰি অসমীয়া সংগীত, নাট্য কলা-জগতৰ সদৌটি দিশ পোহৰাই তুলিব— এই আশাৰে 'গণ-শিল্পীৰ জীৱন বিচিত্ৰা' যুগুতোৱা হল। আশা কৰো আমাৰ, শ্ৰম আৰু চেষ্টা ফলৱতী হব।

পুথিখনি ৰচনাত বিভিন্ন জনে নানান ধৰণে সহায় সহযোগ আগবঢ়োৱাত সেই সকললৈ আমাৰ আন্তৰিক মৰম আৰু শ্ৰদ্ধা নিবেদিলো। শ্ৰদ্ধেয় শ্ৰীৰাঘৱ চন্দ্ৰ গোস্বামীদেৱে পুথিখনি প্ৰকাশ কৰিবলৈ গাত লোৱাত আমি তেখেতৰ ওচৰত বাৰুকৈয়ে কৃতজ্ঞ থাকিলোঁ। ইতি -

—লেখক

# ॥ অৰ্পণ ॥

বিশিষ্ট সমাজ-কৰ্ম্মী, সাহিত্য, সংগীত, কলাৰ প্ৰতি পৰম
আগ্ৰহী, পৰম উদাৰ পুৰুষ মোৰ অনুপ্ৰেৰণাৰ উৎস
শহুৰ দেউতা ( বাবা ) শ্ৰীযুত ভগৱান চন্দ্ৰ
মজুমদাৰ ( বাবু ) ৰ নামত "গণ-শিল্পীৰ
জীৱন বিচিত্ৰা" অৰ্পণ
কৰিলোঁ।।

*শ্ৰীচানাৰাম কলিতা*
ৰণাকুছি
১৪ আহিন, 'শঙ্কৰ-জয়ন্তী'।

## ॥ সূচী-পত্ৰ ॥


| | | |
|---|---|---|
| ১। | ৰূপ-কোঁৱৰ জ্যোতিপ্ৰসাদ। | ১ |
| ২। | কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। | ১১ |
| ৩। | নটগুৰু ব্ৰজনাথ শৰ্ম্মা। | ২৩ |
| ৪। | ঢোলৰ যাদুকৰ মঘাই ওজা। | ৩৫ |
| ৫। | শিল্পী-সেনা জয়ন্ত হাজৰিকা। | ৪৬ |

# ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ

"যি ডেকাৰ অন্তৰৰ বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকাই হব নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশত চলি থকা অন্যায়, নিয়ম কাৰণ, মূৰ্খ



সমাজৰ সংকীৰ্ণ মন, নিৰপৰাধ নিমাখিতৰ ওপৰত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে নিজৰ সুখ সম্পদ আনকি জীৱনকো দি যি ডেকাৰ ঠিয় হবলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ দিনৰ ডেকা হব নোৱাৰে" — এইয়া আছিল ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ অমৰ নাট 'লভিতা'ৰ নায়িকা লভিতাৰ তেজোদ্দীপ্ত উক্তি। এই কেযাৰি বলিষ্ঠ সংলাপে 'লভিতা'ক শুই থকা জাতি এটাক জগোৱাৰ কাৰণে প্ৰধান অস্ত্ৰৰূপে ৰাইজৰ আগত দাঙি ধৰিছিল জ্যোতি প্ৰসাদেই! সঁচা কথা— আপোন দেশৰ মান ৰাখিবলৈ যদি ডেকা-গাভৰু সকলে আগবাঢ়ি নাহে তেন্তে আহিব কোন? জ্যোতিৰ এই

অমৰ বাণীৰ সাৰ্থকতা আজিও কেৱে নুই কৰিব নোৱাৰে। জ্যোতি প্ৰসাদে অসমীয়া জাতিটোক নতুনকৈ সজীৱ কৰি তুলিবলৈ, ন-আদৰ্শেৰে অনুপ্ৰাণিত হবলৈ, নতুনকৈ গঢ় দিবলৈ আজীৱন চেষ্টা কৰিছিল সঙ্গীতসমূহৰ মাজেৰে, কবিতাৰ মাজেৰে, নাটকৰ মাজেৰে, বোলছবিৰ মাজেৰে। অসমীয়া সংস্কৃতিৰ আকাশত সুন্দৰৰ হেঙুলীয়া জ্যোতিৰ স্নিগ্ধ পৰশ বুলাবলৈ কৰা দিগন্তপ্ৰসাৰী হাবিয়াস, নিষ্পেষিত, শোষণ প্ৰক্ৰিয়াৰে পদদলিত কৰি অহা জনতাক প্ৰবুদ্ধ কৰিবলৈ প্ৰচণ্ড হুঙ্কাৰ তোলা জনতাৰ বাবে প্ৰাণে কন্দা, অসমীয়া কলা-কৃষ্টিৰ জ্যোতি প্ৰপাত সদৃশ জ্যোতিক আজি শ্ৰদ্ধাৰে সোঁৱৰো। জ্যোতি প্ৰসাদৰ জ্যোতি বিকাশৰ লগে লগে বিশ্বৰ দৰবাৰত অসমীয়া জাতিটোও এটি সচেতন জাতি বুলি স্বীকৃতি হ'ল। সংস্কৃতিৰ একনিষ্ঠ কলা-সাধক জ্যোতিয়ে পৃথিবীৰ জনতাৰ মুখে মুখে হাঁহি ফুল ফুলাব খুজিছিল শিল্পীৰ আলোকেৰে। তেওঁৰ মানত প্ৰতিজন মানুহেই শিল্পী আৰু প্ৰতিজনৰ হৃদয়ৰ পাঁজৰে পাঁজৰে শিল্পী সত্বাটো লুকাই আছে। কেৱল জনতাৰ ভিতৰত শিল্পীটো যে আচলতে আছে তাৰেই আমি জ্ঞান দিব লাগিব, বুজাব লাগিব জনতাক। সোণ-ৰূপৰ চৰুত হাত দি উপজিছিল যদিও, জ্যোতিয়ে সিবোৰক নেওঁচা কেওঁচা দি জনতাৰ মাজলৈ ওলাই আহি স্বেচ্ছাৰে দেশৰ মুক্তিৰ বাবে, অসমীয়া সংস্কৃতিৰ ম্লান সন্ধিয়াত আকাশ-লঙ্ঘী উদ্দাম ঐকান্তিকতাৰে অসমীয়া সংস্কৃতিৰ ভেটি চিকুণাবলৈ গৈ নানান আলৈ-আহুকাল, দুখ-দাৰিদ্ৰকো মূৰ পাতি লবলগা

হৈছিল। কিয়? কাৰণ তেওঁ আছিল স্বভাৱ শিল্পী। শিল্পী পৰিচয়টিয়েই তেওঁৰ সৰ্ব্বজন বিদিত, সৰ্ব্বজন সমাদৃত পৰিচয়। শিল্পী হলেও তেওঁ আছিল বিপ্লবী। অকল কল্পনাৰ কাৰেং সাজিয়েই ক্ষান্ত নাথাকি বাস্তৱৰ বিভিন্ন সংঘাতৰ মাজেদি ৰাজনীতি, সমাজনীতি, সংস্কৃতি সাহিত্য সকলোতে বিপ্লৱৰ প্লাৱন আনি—জ্যোতিয়ে নবাৰুণৰ নতুন প্ৰভাত বিলাবলৈ ওলাই আহিছিল জনতাৰ মাজলৈ। জ্যোতিৰ জীৱন কাহিনী দীৰ্ঘ বিপ্লৱৰ ইতিহাস, এজন নিৰ্ভিক স্পষ্টবাদী দেশপ্ৰেমিক শিল্পীৰ ইতিহাস বুলি কলেও বঢ়াই কোৱা নহয়। তেজ উতলা, প্ৰাণ উতলা তেওঁৰ গীতবোৰেৰে অসমীয়া সংগীতৰ সোঁত উচ্চমুখী, মৰ্ম্মস্পৰ্শী আৰু মনোৰম কৰি তোলে। তেওঁৰ গীতবোৰৰ ছন্দ, সুৰ, তাল মান আদিয়ে অসমীয়া সংগীত— যেনে বিহুনাম, বিয়ানাম, আইনাম, দেহবিচাৰৰ গীত, টোকাৰী গীত, বনগীত আদি ইমান মধুৰ কৰি তোলে যে তেওঁৰ গীতৰাজিক 'জ্যোতি সংগীত' নামেৰে অভিহিত কৰা হৈছে। বাস্তৱিকতে অসমীয়া সংস্কৃতি শঙ্কৰ-কেন্দ্ৰিক আৰু জ্যোতি-কেন্দ্ৰিক বুলি নকৈ নোৱাৰি। ৰণক্ষেত্ৰত বিকুলৰ ধ্বনি শুনি ৰণুৱাসকল ৰণমত্ত হোৱাৰ দৰে তেওঁৰ গীতেও প্ৰতিজন ডেকাৰ প্ৰাণৰ বিপ্লৱৰ অগ্নিস্ফুলিঙ্গ সঞ্চাৰ কৰে। বিপ্লৱৰ অনলশিখা জ্বলাই জ্বলাই তেওঁ প্ৰতিজন ডেকাক উদ্দীপনাৰ অগ্নিমন্ত্ৰেৰে জাগ্ৰত কৰি যি সুৰেৰে ৰণমত্ত কৰি তুলিছিল সেই সুৰ আজিও মাৰ যোৱা নাই সেই সুৰ নিৰৱচ্ছিন্ন—

বিশ্ব বিজয় ন-জোৱান
বিশ্ব বিজয় ন-জোৱান
শক্তিশালী ভাৰতৰ
ওলাই আহা ওলাই আহা
সন্তান তুমি বিপ্লৱৰ।

অন্তৰত থকা গভীৰ স্বদেশহিতৈষীষতাৰ নিজৰাটো হিলদল ভাঙি ওলাই আহিছিল তেওঁৰ গীতৰ সুৰে সুৰে। বিয়াল্লিছৰ গণ-বিপ্লৱৰ সময়ত "ভাৰত ত্যাগ" আন্দোলনৰ ঘমঘণ্টা অসমৰ আকাশে বতাহে নিনাদি উঠিছিল। কৰিম নহলে মৰিম মন্ত্ৰেৰে দীক্ষিত আবাল বৃদ্ধ বণিতাই হুঙ্কাৰ তুলিছিল বিদেশী বগা বঙলাক অসমৰ মাটিৰ পৰা বিতাৰিত কৰিবলৈ। জ্যোতি প্ৰসাদেও লুইতৰ পাৰৰ ডেকা-গাভৰুক তেওঁৰ অগ্নিবৰষা গীতেৰে অৱগাহন কৰাই ৰঙা বিয়াল্লিছক আৰু বেছি ৰঙাই তুলিছিল। ডেকা-গাভৰুৰ কণ্ঠত সমস্বৰে ধ্বনিত হৈছিল—

'লুইতৰ পাৰৰে আমি ডেকা লৰা
মৰিবলৈ ভয় নাই।'

বিপ্লৱী শিল্পীৰ দেশাত্মবোধৰ গীতবোৰে ডেকা-গভৰুহঁতক পিচপৰি নাথাকি আগবাঢ়ি আহিবলৈ সঁকিয়াই কৈছিল—

"কোন ক'ত আছ আহ অ' সমনীয়া
সন্মুখত হ থিয়
মাতৃপূজাৰ ভাগ লবলৈ বেলি কৰ কিয়"?
'শুৱনী পৃথিবী শুৱাই থকা,

অসম দেশৰ ছোৱালী অ'
পাচে পৰি থাক কিয়
অসম দেশৰ ছোৱালী অ'।

একেজন জ্যোতি প্ৰসাদেই গাৱঁলীয়া ডেকাসকলৰ মাজতো নতুন আলোকৰ অঁাৰিয়া জ্বলাইছিল—

গঁাৱৰ লৰা গঁাৱে গঁাৱে বন্তি জ্বলাই যাম·····ইত্যাদি গীতেৰে।

জনতাৰ জ্যোতি প্ৰসাদ সদায় জনতাৰ মাজতেই আছিল; কিয়নো জনতা যেন তেওঁৰ হিয়াৰ আমঠু, কলিজাৰ এফাল—

"জনতা তোৰ মনৰো মনত
প্ৰাণৰো প্ৰাণত
শিল্পীযে মই লুকাই আছো।"

তেওঁৰে ৰচিত— 'গছে গছে পাতি দিলে ফুলৰে শৰাই', 'মোৰে ভাৰতৰে', 'মোৰে সপোনৰে', 'সেউজী সেউজী সেউজী অ' সেউজী ধৰণী ধুনীয়া', 'মোৰে জীৱনৰে সখা কৃষ্ণ', 'লুইতৰে পানী যাবি ঐ বই' আদি নিঠা মিঠা লগা গীতবোৰ সুৰৰ দেউলৰ ৰূপৰ পূজাৰী জ্যোতি প্ৰতিভাৰ জ্বলন্ত স্বাক্ষৰ। প্ৰতিভা অমৰ, প্ৰতিভা কাহানিও নমৰে।

গীতৰ বাহিৰে কৱিতাৰেও জ্যোতিয়ে অসমীয়া ভাষাত, অসমীয়া সাহিত্যত জ্যোতি প্ৰপাতৰ সৃষ্টি কৰি থৈ গৈছে। তেওঁৰ মনপ্ৰাণ উতলোৱা কৱিতাবোৰৰ সঙ্কলনটোৰ নামকৰণ কৰিছিল— "লুইতৰ পাৰৰ অগ্নিসুৰ", যি অগ্নিসুৰ শুনি বুঢ়

বাবা লুইতৰো গাত হেনো ডেকা তেজৰ পিৰপিৰণি উঠে। সঁচাকৈয়ে জ্যোতি প্ৰসাদে তেওঁৰ বলিষ্ঠ কবিতাৱলীৰে অসমীয়া সমাজক ন-দিগন্তৰ জ্ঞান দিবলৈ প্ৰয়াস কৰিছিল। চিৰ চেনেহী ভাষা জননী সম্পৰ্কে তেওঁ প্ৰাৰ্থনা কৰি কৈছিল—

"চিৰ সুন্দৰক নিতে মাগি আছো বৰ
কামৰূপা ভাষা মোৰ কৰিবা অমৰ।"

তাৰ পাচত আৰু এদেও আগবাঢ়ি গৈ তেওঁ সপোন দেখিছিল আৰু গাইছিল—

"কামৰূপা মোৰ সুৱদী সুৰীয়া
অসমীয়া ভাষা জগত সভালৈ যাব
উজ্বল উজ্বল কহিনুৰ পিন্ধি
হাঁহি জ্যোতি ৰূপা হব।"

অসমীয়া ভাষাক এদিন জগত সভালৈ নিবই লাগিব বুলি তাহানিতে জ্যোতি প্ৰসাদে যি সপোন দেখিছিল সেই সপোন ডেকা-ডেকেৰীয়ে বাস্তৱত ৰূপ দিবলৈ অহোপুৰুষাৰ্থ কৰিবই লাগিব।

অসমীয়া সাহিত্য সংস্কৃতিৰ নিপুণ খনিকৰ জ্যোতি প্ৰসাদৰ ছাত্ৰ জীৱনতে "শোণিত কুঁৱৰী" নাটে তাহানি আমাৰ নাট্য জগতত যুগান্তৰৰ সৃষ্টি কৰিছিল। বিয়ানাম, বিহুনাম, বনগীতেৰে আৰু চিত্ৰ লেখাৰ 'পদুমকলি' নামেৰে ৰূপ কোঁৱৰে গছে গছে ফুলৰ শৰাই সজাইছিল। শোণিত কুঁৱৰীৰ চিত্ৰলেখা জনীৰ মাজেদিয়েই ৰূপকোঁৱৰে নিজৰ সুন্দৰৰ প্ৰতি মোহ, ভালপোৱা

আদি দাণ্ডি ধৰিছিল বুলি কব পাৰি। এই নাটৰ যোগেদি ওলোৱা গীত আৰু অসমীয়া সুৰে অসমীয়া সঙ্গীত জগতলৈ এটা নতুন যুগ কঢ়িয়াই আনিছিল। নাট্যকাৰৰ ভাষাত— "শোণিত কুঁৱৰী নাটখন অসমীয়া সঙ্গীত বুৰঞ্জীৰ এটা আটাই-তকৈ লাগতিয়াল পাত। ১৯১৭ চনত চৈধ্য বছৰ বয়সত লিখা এই নাটকে সৰ্ব্বভাৰতীয় প্ৰতিযোগিতাত সৰ্ব্বপ্ৰথম স্থান অধি-কাৰ কৰিবলৈ সক্ষম হৈছিল। ১৯২৬ চনত বিলাতত থাকোঁতেই ৰচনা কৰা "কাৰেঙৰ লিগিৰী" জ্যোতি প্ৰসাদৰ এক সাৰ্থক সৃষ্টি। এই নাটত তেওঁ নাটকীয় প্ৰতিভাৰ জ্যোতিৰ কাৰেং সাজিছে। নাটকীয় কাহিনী, ৰচনাকৌশল, মনচুই যোৱা সংলাপ আৰু সংযোজনা, চৰিত্ৰ সৃষ্টি, গীতমাত সকলো বিষয়তে এই নাটখনিত তেওঁৰ নিজা বৈশিষ্ট্য সুন্দৰকৈ ফুটি উঠিছে। 'কাৰেঙৰ লিগিৰী'ৰ জৰিয়তে জ্যোতিয়ে এক বৈপ্লৱিক চিন্তাধাৰাৰ মনলৈ সমস্ত জগতখনক নতুন আলোক বিলাবলৈ প্ৰয়াস কৰিছে। অসমীয়াসকলৰ মনত এলাহ্ন গুচাবলৈ অসমীয়া জাতিটোক বহল আদৰ্শ দেখুৱাবলৈ, পবিত্ৰ প্ৰণয়ৰ জ্যোতি বিলাবলৈ অসমীয়া নাট্যশালাত বিচিত্ৰতা আনিবলৈ তেওঁ অহোপুৰুষাৰ্থ কৰিছিল। 'লভিতা'খন অসমত দ্বিতীয় মহাসমৰৰ এখনি চলন্তিকা বুলি আখ্যায়িত কৰিব পাৰি। ঘটনাবহুল আৰু চৰিত্ৰবহুল এই নাটখনিত মুক্তিকামী জনতাৰ মনোবল, সততা আৰু স্বাধীনতাৰ বাবে কৰা অকুণ্ঠ প্ৰচেষ্টা, হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ ভাবৰ ৰূপৰেখা অঙ্কণ, যুদ্ধৰ বিভিষীকা, এচাম লোকৰ

নৈতিক অধঃপতন নাৰী সমাজৰ মহান আদৰ্শ আদি ৰূপায়িত কৰা হৈছে। জ্যোতি প্ৰসাদৰ আন এখন কাল্পনিক নাট 'ৰূপালীম' যেন পূৰ্ণিমা নিশাৰ পুষ্প পাপৰিত তিতি থকা নিয়ৰৰ কণিকাহে। ১৯৩৬ চনত ৰচিত এই নাটখনিত জন-জাতীয় চৰিত্ৰৰ মাজেদি মানৱ চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব দেখুৱাবলৈ চেষ্টা কৰিছে। এফালে দেশপ্ৰেম আনফালে সতীত্ব বা নাৰীধৰ্ম্ম ইয়াকে নাট্যকাৰে নাটকীয় সমস্যাৰ মাজেদি নাটকীয় ভাৱ-ভঙ্গীৰ মাজেদি প্ৰকাশ কৰিছে। 'ৰূপালীম'ত জ্যোতি প্ৰসাদে আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে দেখুৱাবলৈ যত্ন কৰিছে। 'নিমাতী কন্যা' বা 'ৰূপকোঁৱৰ' নাট্যকাৰৰ আন এখনি প্ৰতীকধৰ্ম্মী নাট। তেওঁ আধৰুৱাতকৈ লিখি থৈ যোৱা অকণিহঁতৰ উপযোগী 'সোণপখিলী' গীতি নাটখনি সম্পূৰ্ণকৈ লিখি উলিয়াই অসমৰ চেক্সপীয়েৰ অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা দেৱে। প্ৰতীক ধৰ্ম্মী আৰু কাব্য ধৰ্ম্মী এই দুয়োখনি নাটো জ্যোতিৰ নাট্য প্ৰতিভাৰ উজ্জ্বল পৰিচায়ক। ইবোৰৰ উপৰিও 'জ্যোতি ৰামায়ণ', 'কণকলতা', 'খনিকৰ', 'আমাৰ গাওঁ', 'জ্যোতি সাতশৰী', 'চন্দ্ৰকুমাৰ', 'মহাত্মা' আদি প্ৰকাশিত আৰু অপ্ৰকাশিত মাণিক মুকুতা তেওঁ দান দি গৈছে।

১৯৩৫ চনত অসমীয়া বোলছবি জগতৰ পথিকৃত 'জয়মতী' সবাক ছবিখনে মুক্তিলাভ কৰাৰ লগে লগে জ্যোতিৰ জ্যোতি আৰু বিস্তাৰিত হল। 'জয়মতী' ভাৰতৰ চতুৰ্থ সবাক ছবি।


অসমীয়া ভাষাত সবাক ছিত্ৰ নিৰ্ম্মাণৰ কাম যথাৰ্থতে সেই সময়ত দুঃসাধ্য আছিল; কিন্তু সেই দুঃসাধ্যত সম্ভৱ হৈছিল জ্যোতি প্ৰসাদৰ প্ৰচেষ্টাতহে। "ইন্দ্ৰমালতী" জ্যোতি প্ৰসাদৰ দ্বিতীয় ছবি। ১৯৩৯ চনৰ ৭ জুলাইত গুৱাহাটীৰ "সতী টকী" হাউচত এইখন ছবিয়ে শুভমুক্তি লাভ কৰে। এখন অসমীয়া শিশু বোল ছবি উলিয়াবলৈ আৰু "আমাৰ গাওঁ" নামৰ অসমীয়া সংস্কৃতিৰ প্ৰতীক স্বৰূপ আৰু এখন বোল ছবি উলিয়াবলৈকো তেওঁৰ শিল্পীমনে মহাকালে সাৱটি লোৱাৰ আগমুহূৰ্ত্তলৈকে পাঙি আছিল; কিন্তু সেইয়া হবলৈ নিদিলে। শিল্পীমনৰ আশা আশা হৈয়েই থাকিল।

এইদৰে দেখা যায় অসমীয়া সাহিত্য সংস্কৃতিৰ ভিন ভিন খোটালীত "ৰাভাৰ আভা"ৰ দৰে "জ্যোতিৰ জোতি" তিৰ-বিৰাই আছে। এইটো সুখৰ কথা যে অসমীয়া সংগীতৰ জ্যোতি সংগীতৰ সমাদৰ দিয়ক, দিনে বাঢ়িব লাগিছে। কিন্তু জ্যোতি প্ৰসাদ হেন শিল্পী সাধকৰ বাবে এয়েই যথেষ্ট নহয়; এই মহান শিল্পী গৰাকীৰ মূল্যাঙ্কন ইয়াতোকৈ হব লাগিব অধিক আৰু তাকে কৰিবলৈ হলে জোতি প্ৰসাদৰ আটাইবোৰ লেখনীকে সংগ্ৰহ কৰি বেজবৰুৱা গ্ৰন্থাৱলীৰ দৰে প্ৰকাশ কৰিব লাগিব, তেওঁৰ প্ৰবন্ধ. গীত, নাট ইংৰাজী হিন্দী আদিলৈ অনুবাদ কৰি বাহিৰত প্ৰচাৰ কৰিব লাগিব। "জ্যোতি চিত্ৰবন"ক চিত্ৰ বিচিত্ৰ কৰি "নামি অহা সুন্দৰৰে সেনা শিল্পী দল" গঢ়ি তুলিব লাগিব, ৰূপকোঁৱৰৰ স্মৃতি সৌধ সাজিব লাগিব, অসমীয়া সাহিত্য

সংস্কৃতিৰ বৰ পথাৰখন বাবে ৰঙনীয়া কৰি তুলিব লাগিব। এই দায়িত্ব অসমৰ প্ৰতি গৰাকী ডেকা-গাভৰু আৰু আমাৰ জাতীয় চৰকাৰৰ বাবে এক গধুৰ প্ৰত্যাহ্বান স্বৰূপ নহয় নে?

# কলাগুৰু
# বিষ্ণুপ্ৰসাদ ৰাভা

"আপোনালোকে মোক জীৱন শিল্পী বুলি কয়। যদি প্ৰকৃততে মই জীৱন শিল্পী হও সেয়া ভগৱানৰ কৰুণাত নহয়, জনতাৰ সৃজনী শক্তিতহে। "শিল্পী" কথাষাৰ আজি কালি বৰ সহজ হৈ পৰিছে। কিন্তু শিল্পী হবলৈ হলে ঝঞ্ঝাবিজয়ী আত্মাৰ অধিকাৰী হব লাগিব। প্ৰশান্ত মহাসাগৰত ডুব মাৰি অসংখ্য শামুক বুটলিব পৰা দুঃসাহস আৰু দুৰ্ব্বাৰ শক্তি থাকিলেহে আজি আৰ্টৰ মুক্তা লাভ কৰা সম্ভৱ" এইয়া আছিল বিপ্লৱী



নৃত্য বিশাৰদ, সঙ্গীতজ্ঞ, সাহিত্যিক, চিত্ৰকৰ, অভিনেতা, গীতিকাৰ, সুৰকাৰ, খেলুৱৈ আৰু সঁচা শিল্পী কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই এসময়ত মধ্য গুৱাহাটী বিহু সন্মিলনীত দিয়া ভাষণৰ অংশ বিশেষ।

বহুমুখী প্ৰতিভা সম্পন্ন বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হৈছিল সুদূৰ ঢাকাত — ১৯০৯ চনৰ ৩১ জানুৱাৰীত, দেউতাক ৰায়-বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা আছিল দ্বিতীয় আসাম ৰাইফলছ

বাহিনীৰ চুবেদাৰ মেজৰ। তেওঁৰ দক্ষতাৰ শলাগ লৈ চৰকাৰে তেজপুৰ পুলিচ লাইনত আৰু গেৰেকীত মুঠ ২৫০০ বিঘা মাটি পট্টন দিয়ে। অৱসৰ গ্ৰহণ কৰা সময়লৈকে তেওঁ হেনো বাৰটা সোণৰ পদক আৰু পঁশিচটা ৰূপৰ পদক লাভ কৰিছিল। বিষ্ণু ৰাভাই চতুৰ্থমান শ্ৰেণীলৈকে ঢাকাৰ সেনা বাহিনীৰ লৰা-ছোৱালীয়ে পঢ়া স্কুলত শিক্ষা লাভ কৰে। ১৯১৭ চনত দেউতাকৰ মৃত্যু হয়। ১৯২৬ চনত তেজপুৰৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি কলেজীয়া শিক্ষা লয় যথাক্ৰমে বাংলাদেশৰ ছেণ্ট পলছ, বিপন, কোচবিহাৰৰ ভিক্টোৰিয়া আৰু ৰংপুৰৰ কাৰমাইকেল কলেজত। ফিজিক্সৰ অনাৰ্চ বাদ দি পিছত আৰ্টছ পঢ়ে। কলেজীয়া জীৱনত ৰাভা আছিল কুশলী খেলুৱৈ। ছেণ্ট পলছ কলেজত থাকোঁতে তেওঁ আছিল ক্ৰিকেটৰ অধিনায়ক। ৰংপুৰত আছিল হকীদলৰ অধিনায়ক। কোচবিহাৰত থাকোঁতেই স্বদেশী আন্দোলনৰ প্ৰতি ৰাভা আকৃষ্ট হয় আৰু ক্ৰমে তাৰ ছাত্ৰ সমাজৰ নেতা হৈ উঠে।

লৰালি কালৰে পৰা ৰাভাই চকুৰ আগত দেখিছিল একে-খন আকাশৰ তলতে দুটা শ্ৰেণী; কোনোজনে এমুঠি অন্নৰ বাবে দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে আৰু কোনোজনে ভোগৰ সামগ্ৰীৰে জীৱন ধন্য কৰিছে। এনেবোৰ বৈষম্য দেখি ৰাভাৰ মনত অস্থিৰতাই দেখা দিছিল আৰু নিজে নিজে প্ৰশ্ন কৰি-ছিল কিয় এই বৈষম্য, কিয় এই পাৰ্থক্য? কিন্তু কতো তেওঁ উত্তৰ বিচাৰি নেপালে। কাজেই তেওঁৰ মন হৈ পৰিছিল বিদ্ৰোহী,

বিপ্লৱী। তেওঁৰ বিদ্ৰোহী মনে গোলামী চাকৰিক কৰিছিল ঘৃণা আৰু যিকোনো উপায়েৰে সৰ্ব্বহাৰা সকলৰ ওচৰলৈ যাবলৈ উদ্বাউল হৈ পৰিছিল। পশ্চিমৰ বতাহত বাপুজীৰ অসহযোগ আন্দোলনৰ ৰিঙনি ৰাভাৰ কাণত পৰিল। তেওঁৰ মনৰ অগ্নি শিখা দাউ দাউকৈ জ্বলি উঠিল। চকুত বিদ্ৰোহৰ অনল শিখা।

সেই সময়ত কোচবিহাৰত দুজন বিষয়াৰ বিৰুদ্ধে বিৰাট জনবিক্ষোভৰ সৃষ্টি হৈছিল। এজন আছিল মিঃ হাচিন্সন আৰু আনজন আছিল ৰাজদেৱান খাস্তগীৰ। "ৰাজ্যে আছে দুটি পাঠা একটি কালো একটি সাদা। ৰাজ্যেৰ যদি মঙ্গল চাও দুইটি পাঠা বলি দাও" বুলি কাগজ লিখি কোচবিহাৰৰ ৰাজপ্ৰাসাদৰ সিংহ দুৱাৰত অসমসিংহ বিষ্ণু ৰাভাই লগাই থৈ আহিল। তদুপৰি ৰাজপ্ৰাসাদ আৰু জেনকিন্স বিদ্যালয়ত ৰাষ্ট্ৰীয় কংগ্ৰেছ পতাকাও উত্তোলন কৰিলে। এই দোষতে ৰাভাক এদিন তাৰ পৰা বহিষ্কাৰ কৰা হ'ল। অন্তৰত উমি উমি জ্বলি থকা তুঁহ জুই কুৰা এতিয়া ভমক্‌কৈ জ্বলি উঠিল। ৰাভাৰ গাত বিপ্লৱৰ কোবাল সোঁত বলিল। তেওঁ দৃঢ় প্ৰতিজ্ঞ হল— "সকলোৰে৷ৰ ছিন্ন ভিন্ন কৰি ধনৰাজ গুচাই গণৰাজ প্ৰতিষ্ঠা কৰিমেই কৰিম।"

পৰম সৌভাগ্যৰ কথা— ভাৰতত গণৰাজ প্ৰতিষ্ঠা হ'ল— কিন্তু বৰ পৰিতাপৰ কথা এয়েহে যে আমাৰ জাতীয় চৰকাৰে ৰাভাক আখ্যা দিলে বিদ্ৰোহী, বিপ্লৱী বুলি। অকল জানো সেয়ে— তেওঁক বন্দী কৰাৰ হুকুম হ'ল— ৰাভাক ধৰি দিব পাৰিলে পুৰস্কাৰৰ টকাৰে এজন মানুহ ৰাতিটোৰ ভিতৰতে ধনী

হৈ উঠিব পাৰিব। পাঁচবছৰ কাল গৰীব কৃষকৰ ঘৰে ঘৰে আত্ম-গোপন কৰি থাকি অৱশেষত সামান্য অসতৰ্কতাৰ কাৰণে ৰাভা পুলিচৰ হাতত ধৰা পৰিল। কঁকালত পঘাৰে বান্ধি বন্দুক-বেয়নেটেৰে ঘেৰি ধৰি ৰাভাক জেললৈ নিয়া হ'ল।

সৰুৰে পৰাই সংগীত আৰু অভিনয়ৰ প্ৰতি ৰাভাৰ বৰ ধাউতি আছিল। দেউতাক যদিও মিলিটেৰী মানুহ, অন্তৰত আছিল সূক্ষ্ম কলাৰ মন। দেউতাকৰ সুমধুৰ চেতাৰৰ গুঞ্জন ধ্বনি শুনি তেওঁ আনন্দত আত্মহাৰা হৈ পৰিছিল। ৰাভাই সাত বছৰ বয়সতে মিলিটেৰী সকলৰ লগত ঢাকাত থাকোঁতে উৰ্দ্দু ভাষাত ৰচিত 'হৰিশ্চন্দ্ৰ' নাটকৰ ৰোহিতেশ্বৰৰ ভাও অভিনয় কৰিছিল। গুৰু কলাচান্দৰ ৰুণজুন নূপুৰৰ তালত মুগ্ধ হৈ নৃত্য-শিক্ষা ললে।

১৯২৮ চনত কলিকতাত ৰুচ নৰ্ত্তকী আন্না পাবলোভাৰ নৃত্যত মুগ্ধ হৈ সেই শিক্ষাৰ কাৰণে ৰাভাই খাটিলে; কিন্তু আন্না পাবলোভাই ভাৰতীয় নৃত্যৰ দেশত শিক্ষা দিব নোৱাৰো বুলি এইদৰে কলে—'তোমালোকৰ দেশৰ মন্দিৰৰ গাত অ'ত ত'ত যি নৃত্য আৱদ্ধ হৈ আছে তুমি সেইবোৰ পোহৰলৈ আনা।' লগে লগে ৰাভাই নিজ দেশৰ নৃত্য-শিক্ষা লব বুলি সংকল্প ললে। নৃত্যৰ লগতে সংগীত শিক্ষাৰ কাৰণেও ইচ্ছা হ'ল—কাজেই দেশ-বিদেশৰ নৃত্য-সংগীত বিষয়ৰ গ্ৰন্থ অধ্যয়ন কৰি সংগীত-নৃত্য চৰ্চ্চাত আত্ম-নিমজ্জিত হ'ল। তেতিয়াৰ পৰাই তেওঁ অসমৰ গাৱে-ভূঞে, নামঘৰে-সত্ৰে, মঠে-মন্দিৰে অসমৰ আপুৰুগীয়

সংস্কৃতিৰ মণি-মুকুতা বুটলি ভাৰতীয় নাট্য শাস্ত্ৰৰ ভেটিত অসমৰ নৃত্য-কলাক স্বকীয় বৈশিষ্টেৰে যাউতীযুগীয়া কৰিবলৈ অহো-পুৰুষাৰ্থ কৰিলে। বৰপেটাৰ ওজা-পালি নৃত্যই ৰাভাক বাৰু-কৈয়ে আকৃষ্ট কৰিলে। ওজা-পালিক নতুন মৰ্য্যদাৰে পুনঃ প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ৰাভাৰ দান অসামান্য। তেওঁ ভালেমান দিন তেজপুৰত উচ্চাঙ্গ সংগীত আৰু নৃত্য-চৰ্চ্চাত আত্ম-নিয়োগ কৰে। ৰাভাৰ চেষ্টাতে অসমীয়া উচ্চাঙ্গ সত্ৰীয়া নাচে মঞ্চো-পযোগী হৈ পূৱ আৰু উত্তৰ ভাৰতত শত-সহস্ৰ দৰ্শকক চকিত কৰি তুলিলে। ৰাভাৰ 'শিৱ-তাণ্ডৱ নৃত্য' আছিল এক প্ৰধান আকৰ্ষণীয় বস্তু। কাশী বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ সংস্কৃতিক সন্মান ভাৰতৰ শ্ৰেষ্ঠ কলাবিদ কলাগুৰু বিশ্ববিখ্যাত উদয় শঙ্কৰৰ পিছতে ৰাভাদেৱে লাভ কৰে।

কলিকতাৰ একাধিক গ্ৰামোফোন কোম্পানীৰ জৰিয়তে ৰাভাদেৱে অসমীয়া সংস্কৃতিৰ পোহাৰ মেলিছিল। ১৯৩৫ চনত ৰূপকোঁৱৰ জ্যোতি প্ৰসাদৰ সৈতে "জয়মতী" শোণিতকুঁৱৰী, নাটক ৰেকৰ্ড কৰিছিল। পিছৰ বছৰ ৰাভাৰ নিজৰ ৰচিত আৰু পৰিচালিত "বেউলা" নাটকৰ ৰেকৰ্ড প্ৰকাশিত হয়। তাৰ পিছত ক্ৰমে স্বৰচিত আৰু পৰিচালিত "ৰতনী", "জন্মাষ্টমী", "ৰবৈদেচিলা" "শঙ্কৰদেৱ আৰু মাধৱদেৱ" নাটক ৰেকৰ্ড হৈ ওলায়। সেই সময়ত অসমৰ জনশিক্ষাৰ ক্ষেত্ৰত ৰাভাদেৱৰ কলগানৰ মাধ্যমেদি প্ৰচাৰিত এই ৰেকৰ্ড সমূহে কম অৰিহনা যোগোৱা নাছিল।

সাহিত্যিক হিচাপে ৰাভাদেৱৰ কীৰ্ত্তিৰ মূল্যায়ন কৰাৰ নিশ্চয় প্ৰয়োজন আছে। তেওঁৰ "বৃহত্তৰ অসমৰ পৰিকল্পনা", "শ্ৰীশঙ্কৰ-দেৱ বৰগায়ন", "মুক্তি দেউল", "সোণপাহি", "অসমীয়া কৃষ্টিৰ চমু আভাস", "অসমীয়া কৃষ্টি",, "মোহ", "জীৱন নদীৰ সিপাৰে", "ডিমাছা কছাৰীৰ বুৰঞ্জী", "ৰাভা জাতিৰ ইতিহাস", "বড়ো জাতিৰ ইতিহাস", "সীমান্তৰ সৈনিক", "ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে" আদি উল্লেখযোগ্য মূল্যবান ৰচনা। তদুপৰি তেওঁৰ নামে ছদ্ম নামে লেখা বহুতো ৰচনা, বিভিন্ন ঠাইত সিচৰিত হৈ আছে। তেওঁ ভালেমান গীতো ৰচনা কৰিছিল — সিবোৰৰ অধিকাংশই আজি হয়তো পাবলৈ নাই।

ৰাভা এজন নিপুণ চিত্ৰ-শিল্পীও আছিল। কলিকতাত বিখ্যাত চিত্ৰশিল্পী গগনেন্দ্ৰ নাথ ঠাকুৰ, হেমেন্দ্ৰ মজুমদাৰ আদি চিত্ৰ-শিল্পীৰ সান্নিধ্য লাভ কৰাৰ তেওঁৰ সৌভাগ্য ঘটিছিল আৰু চিত্ৰবিদ্যা শিকিবলৈ সুচল পাইছিল। তেওঁ কল্পনা কৰি মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ ছবি এখন আঁকিছিল। ছবিখনিৰ তলত গুৰু ভট্টিমাৰ কলি দুটি দিছিল—

"জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণক ৰেণু শতকোটি
বাৰেক কৰোহো প্ৰণাম।
বিনে অঙ্গ ভূষণ পেখি সুশোভন
গহীন গম্ভীৰ ধীৰ মতি

আয়ত লোচন বদন বৰসুন্দৰ
নয়ননন্দ কহো জ্যোতি ॥"

এই বৰ্ণনাৰ আলমত কল্পনাৰে অঁকা ছবিখন তেতিয়াৰ বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীচতুৰ্ভুজদেৱ মিশ্ৰই ভূয়সী প্ৰশংসা কৰিছিল। মাধৱ চন্দ্ৰ বেজবৰুৱা সম্পাদিত "বাঁহী"ত ৰাভাই সাত খলপীয়া সিংহাসনৰ বেটুপাত অঁাকিছিল। শঙ্কৰ-মাধৱ, নীলৰঞ্জন ৰশ্মি, টোৱাং, গাৰো পাহাৰ আদিৰ উচ্চমান বিশিষ্ট চিত্ৰই ৰাভাদেৱৰ চিত্ৰ নৈপুণ্যৰ কথাকে সূচায়।

অসমৰ নাট্য আন্দোলনৰ মধ্যমণি তেজপুৰৰ বাণষ্টেজত ৰাভা আৰু ফণী শৰ্ম্মাৰ অভিনয় অসমৰ নাট্য আন্দোলনৰ ইতিহাসত উল্লেখযোগ্য অধ্যায়। সেই সময়ত ৰাভাই ঘাইকৈ "কাৰাগাৰ, নাদিৰছাহ" প্ৰভৃতি পৌৰাণিক বা ঐতিহাসিক নাটকৰ নায়কৰ ভূমিকাত সাৰ্থক অভিনয় কৰি মঞ্চ জগতলৈ নতুন পোহৰ আনিছিল। পিছলৈ আধুনিক নাট্যশৈলীৰ সামাজিক নাটকতো তেওঁ দক্ষতা দেখুৱাইছিল। ফণী শৰ্ম্মা পৰিচালিত "চিৰাচ্ছ" নাটকত আঘোনা, "কিয়" নাটকত "গেঠুৰ" ভুমিকাত ৰাভাৰ অভিনয় অবিস্মৰণীয়। মঞ্চত অভিনয়ৰতো কোনো হিচাপেই নাই। অসমৰ ভ্ৰাম্যমান ব্যৱসায় থিয়েটাৰ দল পূৰ্ব্বজ্যোতি, নটৰাজ, সুৰদেৱী আদিৰ সৈতে ৰাভাদেউ ওতঃপ্ৰোতঃ ভাবে জড়িত আছিল।

অসমীয়া বোলছবিৰ ক্ষেত্ৰতো ৰাভাদেৱৰ অৱদান কম নহয়। ১৯৩১-৩২ চনতেই কলিকতাৰ ভৱানীপুৰত মণিৰায়ৰ লগত

Agro-picture corporation নাম দি ফিল্ম কৰাৰ ক্ষেত্ৰত ৰাভা বহুদূৰ আগবাঢ়িছিল, কিন্তু টকা-পইচাৰ অভাৱত সেই প্ৰচেষ্টা ফলৱতী নহল। বোলছবিত্ত তেওঁৰ প্ৰথম অভিনয় নটসূৰ্য্য ফণী শৰ্ম্মাৰ লগত যুগ্মভাবে পৰিচালিত "চিৰাজ" ছবিত আৰু ডঃ ভূপেন হাজৰিকা পৰিচালিত " এৰা বাটৰ সুৰ ", " মাহুত বন্ধুৰে " ছবিত। খাচীয়া জীৱন লৈ কৰা হাজৰিকাৰ "প্ৰতি-ধ্বনিত", "চিযেয়"ৰ ভাৱত কৰা ৰাভাৰ নিখুঁত অভিনয় দেখি খাচীয়া জনসাধাৰণো বিস্মিত নহৈ নাথাকে।

অসমৰ সংগীত জগতলৈ ৰাভাৰ দান অতুলনীয়। প্ৰথমে তেওঁ আছিল ৰবীন্দ্ৰ সংগীতৰ অনুৰাগী। ছাত্ৰ জীৱনতে তেওঁ শান্তিনিকেতনত গৈ দীনেন্দ্ৰনাথ ঠাকুৰৰ ওচৰত এই বিষয়ে উপদেশ লয়। দীনেন্দ্ৰনাথে তেওঁক এই গীত শিকায় — "আজি মৰ্ম্মৰ ধ্বনি কেন জাগিলৰে"। হিমাংশুদত্ত সুৰসাগৰ আছিল ৰাভা-দেৱৰ সহপাঠী বন্ধু। তেওঁৰ পৰাও ৰাভা যথেষ্ট উপকৃত হৈছিল। তদুপৰি ৰাভাই নিজে কৈছিল— "ভিনিহিদেউৰে পুৱাতে গোৱা "ৰজনী বিদূৰ দিশ ধৱলী বৰণ" ............ গীতৰ সুৰ শুনি ভিনদেউক আমনি কৰিছিলো। ভিনদেউ আৰু হৰমোহন বায়নে বৰগীত, ঘোষা আদি শিকাইছিল। কলিকতাৰ চেনোলা কোম্পানী আৰু পিছত এইচ, এম, ভিৰ অসমীয়া গীতৰ পৰিচালক হৈ ৰাভাই গ্ৰামোফোন ৰেকৰ্ডৰ মাধ্যমেৰে সমগ্ৰ অসমতে গীতিকাৰ, সুৰকাৰ হিচাপে ৰাভাদেৱে যথেষ্ট জনপ্ৰিয়তা অৰ্জ্জন কৰিছিল। ৰাভাই গীতৰ মাজেৰে সুৰ সাধক সকলক আহ্বান জনাইছিল—

"সুৰৰে দেউলৰে ৰূপৰে শিকলি
ভাঙি দিয়া খুলি
তুৱাৰ সোনোৱালী
পূজাৰী অ', পূজাৰী অ'"।

লাচিত-চিলাৰায়ৰ দৰে বীৰৰ বংশধৰ অসমীয়া ডেকাসকলৰ কাপুৰুষ বদন দেখি তেওঁ দৃপ্তকণ্ঠে গাইছিল—

"অ' অসমীয়া ডেকাদল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল— ।"

ভাষাৰ যাদুকৰ ৰাভাদেৱে বচা বচা শব্দমালাৰে কত যে মিঠা মিঠা গীত ৰচিছিল—

"মোৰ কবিতাৰ ছন্দ লাগি
স্পন্দন তোৰ জাগেনে;
কথা-মলিকাৰ গন্ধ লাগি
সোণৰ সপোন ভাগেনে?"

আৰু—"বিশ্বৰ ছন্দে ছন্দে
মহানন্দে
আনন্দে নাচা
নাচা তমোহৰদেউ
নাচা।"

ৰাভাদেৱৰ বিপ্লৱী গীত সমূহ অসমৰ সংগ্ৰামী কৃষক জনগণৰ কণ্ঠত অমৰ হৈ আছে। তেৱেঁই প্ৰথম অসমত শ্ৰমিক-

কৃষকৰ শ্ৰেণীৰ ৰঙা পতাকাৰ গীত ৰচনা কৰে :—

"কাৰখানা কল আমাৰ সৃজন
পথাৰ সুবহল
তেওঁনো কিয় আমাৰ এনে
আলৈ বিলৈ হ'ল ?
অ' বন্ধুৱা সমনীয়া আগবাঢ়ি যাওঁ বল
ৰঙা তেজৰ নিচানটি লৈ আগবাঢ়ি যাওঁ বল।"

মৃত্যুক সঁচা বুলি জ্ঞান কৰা ৰাভা দেৱৰ অমৰ কাপৰ পৰা নিগৰি ওলোৱা তলৰ গীতটি অসমৰ সংগীত জগতৰ এক অবিস্মৰণীয় গীত—

"এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান॥
পাতনিতে কলো ধেমালি নান্দী
ভঙ্গী সূত্ৰধাৰ
হাঁহি বিননিৰ ভাও দিলো নানা
বোৱালো অশ্ৰু ধাৰ॥
নব নব ৰসে কলো ভাৱনাওঁ
আশা নিৰাশাৰ
আজি হব মোৰ জীৱন নাটৰ
ভাওঁনাৰ অৱসান॥"

ৰাভাদেৱে একেৰাহে গাইছিল, নাচিছিল, বজাইছিল, অভিনয় কৰিছিল, নিৰ্দ্দেশ দিছিল। তেওঁ সকলো দিশতে সমান প্ৰতি-

ভাবে অংশ গ্ৰহণ কৰিছিল। তেওঁ এবাৰ শান্তি নিকেতনত ষোল্লটা ভাষাত গীত গাই সকলোকে বিস্ময়াভিভূত কৰি তুলিছিল।

এসময়ত কংগ্ৰেছৰ পতাকা উত্তোলন কৰি শিক্ষানুষ্ঠান পৰিত্যাগ কৰিব লগা হোৱা ৰাভাই স্বাধীনতাৰ পিছত দুখীয়া ৰাইজৰ দুৰ্দ্দশা দেখি সক্ৰিয় ৰাজনীতিত সোমাই পৰিল। ১৯৬৭ চনৰ সাধাৰণ নিৰ্ব্বাচনত ৰাভাই তেজপুৰ সমষ্টিৰ পৰা নিৰ্দ্দলীয় সদস্য হিচাপে বিধান সভালৈ নিৰ্ব্বাচিত হয়। বিধান সভাত তেওঁ অসমৰ সংস্কৃতি আৰু দুখীয়া ৰাইজৰ হকে সদায়ে মাত মাতি আছিল। গণ-বিপ্লৱৰ জীৱন দৰ্শন বাদ দি যে আজি কোনো শিল্পীয়েই মহান হব নোৱাৰে এই কথা ৰাভাই বিশ্বাস কৰিছিল। কাজেই তেওঁৰ গান, ছবি আদিত জনগণেই প্ৰধান বিষয় বস্তু হৈ উঠিছিল। ৰাভাই অন্তৰেৰে উপলব্ধি কৰিছিল যে মাৰ্ক্সবাদেই শোষনহীন সমাজ ৰচনাৰ একমাত্ৰ পথ। গতিকে সেই পথকেই তেওঁ আজীৱন সাদৰি ললে। ৰাভাৰ মাৰ্ক্সবাদ গ্ৰহণ অসমৰ সাম্যবাদী ক্ষেত্ৰত এক বিৰাট পদচিহ্ন। মাৰ্ক্সবাদৰ পৰা তেওঁ শিকিছিল, শ্ৰেণী বিভক্ত সমাজত শ্ৰেণী-সংগ্ৰামেই ইতিহাসৰ ৰথ। সেই সমাজত শ্ৰেণী-সমন্বয় সম্ভৱ নহয়। শোষকক ঘৃণা নকৰাকৈ শোষিতক ভাল পাব নোৱাৰি। বিষ্ণু ৰাভা আছিল প্ৰগতিশীল ৰাজনৈতিক কৰ্ম্মী আৰু শোষিত পদদলিত জনতাৰ প্ৰাণৰ বন্ধু! তেওঁ দৰিদ্ৰ শোষিত শ্ৰেণীৰ মুক্তিৰ কথাকে চিন্তা কৰিছিল আৰু মাৰ্ক্সবাদী পথেৰে সমাজ

ৰূপান্তৰৰ বাবে আগ বাঢ়িছিল। দৰিদ্ৰ শোষিত শ্ৰেণীক শোষণৰ পৰা মুক্ত কৰাৰ বিপ্লৱতে ৰাভাই নিজৰ সৰ্ব্বস্ব ত্যাগ কৰিছিল। বিষ্ণু ৰাভাক অসম উপত্যকাৰ সমগ্ৰ জাতিৰে প্ৰতিভু আছিল বুলি কলে নিশ্চয় বঢ়াই কোৱা নহব। তেওঁৰ গাত অসমৰ মাটিৰ গোন্ধ। অসমৰ গাওঁ, বন, পৰ্ব্বত-পাহাৰৰ লগত তেওঁৰ নিবিড় চিনাকি। কৃষক জীৱনৰ সংগী ৰাভাই যেতিয়াই কিবা সৃষ্টি কৰিছে, নাচেই হওক, গানেই হওক—তেওঁৰ লক্ষ্যস্থল আছিল অসমীয়া কৃষক সমাজ। কাজেই কৃষক আন্দোলনত যোগ দি সমগ্ৰ অসমৰ গাৱেঁ গাৱেঁ ঘূৰিছিল আৰু কৃষক বন্ধু-সকলৰ লৈতে সহজে মিলি গৈছিল। কৃষকৰ প্ৰতি, শ্ৰমিকৰ প্ৰতি ৰাভাৰ উদ্দীপ্ত আহ্বান—

'তোৰ বাহুতে আছে লুকাই
অসীম শক্তি বল
ৰণৰ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ বল।
ধ্বংস কৰ ধ্বংস কৰ
ধনীৰ অহংকাৰ
দয়া-মায়া নকৰিবি
ক্ষমাৰ দিন যে গল
হাল-কোৰ, দা-হাতুৰী লৈ
ৰণলৈ যাওঁ বল।'

অসমৰ জাতীয় জীৱনত জনগণৰ দৰদী বন্ধু বিষ্ণু ৰাভাদেউ নিষ্ঠা, সংগ্ৰাম আৰু ত্যাগৰ জ্বলন্ত পৰিচায়ক নহয়নে ?

# নটগুৰু
# ব্ৰজনাথ শৰ্ম্মা

নৈষ্ঠিকতা শিল্পীৰ এটি শ্ৰেষ্ঠ সম্পদ, কেনে সম্পদৰ পৰা বঞ্চিত যি শিল্পী তেওঁৰ প্ৰাণৰ প্ৰভাৱ বিজুলী সঞ্চাৰৰ দৰে ক্ষণ-স্থায়ী। তেওঁ সুদক্ষ কলাবিদ হলেও জাতিৰ কল্যাণ সাধনত অক্ষম। তেওঁৰ পৰা জাতিয়ে একোকে আশা কৰিব নোৱাৰে। অত্যল্প সময়ৰ ভিতৰতেই তেওঁৰ পতন অৱশ্যম্ভাৱী। গতিকে শিল্পীয়ে নিজক সংযত ৰাখি, অতি সাৱধানতা অৱলম্বন কৰি অগ্ৰসৰ হোৱা উচিত” — এইয়া আছিল সাধক শিল্পী ব্ৰজনাথ শৰ্ম্মাৰ অসমীয়া শিল্পীবৃন্দলৈ আকুল আহ্বান! অসমীয়া যাত্ৰাভিনয় আৰু সহ অভিনয় প্ৰৱৰ্ত্তনত জনতাৰ শিল্পী ব্ৰজনাথ শৰ্ম্মাৰ নাম



অসমৰ নাট্য আৰু মঞ্চ জগতত চিৰ সমুজ্জ্বল হৈ ৰব। অসমত নাট্য আন্দোলনক জনতামুখী আৰু ব্যৱসায়ী শিল্প হিচাপে প্ৰতিষ্ঠা কৰি অসমৰ ৰঙ্গমঞ্চত থক্-

বকনি তোলা ব্ৰজনাথ শৰ্ম্মাৰ সজীৱ অভিনয়ৰ কথা শুনিলে সঁচাকৈয়ে তস্মান খাব লাগে। অভিনয় জগতত আলোড়ন সৃষ্টিকাৰী এইজনা বজ্ৰকঠোৰ শিল্পী ব্ৰজনাথ শৰ্ম্মাই যদি তাহানি হেজাৰ বাধা বিঘিনিকো গণিতা নকৰি পোনপ্ৰথম সহ-অভিনয়ৰ পাতনি নেমেলিলেহেঁতেন, তেনেহলে আমাৰ নাট্য আৰু মঞ্চকলা বহুত পিচ পৰি ৰলহেঁতেন।

বিপ্লৱৰ অনলশিখা ব্ৰজ শৰ্ম্মাই কি সামাজিক, কি ৰাজনৈতিক, কি সাংস্কৃতিক সৰ্ব্বত্ৰতে বিপ্লৱৰ সূচনা কৰিছিল। দৰাচলতে কবলৈ গলে ভ্ৰাম্যমান আৰু ব্যৱসায়িক নাট্যদলৰ প্ৰতিষ্ঠাপক, সু-অভিনেতা, সু-পৰিচালক আৰু কৃতী দল পৰিচালক ব্ৰজনাথ শৰ্ম্মাই তেতিয়াৰ ৰক্ষণশীল সমাজখনত সহ-অভিনয় আৰম্ভ কৰাটো বৰ দুঃসাহসিক আৰু বৈপ্লৱিক কাৰ্য্য আছিল। প্ৰসিদ্ধ জাতীয়তাবাদী বঙ্গৰ চাৰণ কবি সুবিখ্যাত যাত্ৰাদলৰ ওজা মুকুন্দদাসৰ নিচিনাকৈ এসময়ত অসমৰ সকলো মানুহৰ মুখে মুখে ব্ৰজ শৰ্ম্মাৰ নাম শুনা গৈছিল। জন-সমাজত ব্ৰজ শৰ্ম্মা "ওস্তাদ" ৰূপে জনাজাত আছিল; কাজেই "ওস্তাদৰ ঘৰলৈ যাওঁ বুলি কোনোবাই কলে মানুহে বুজিছিল ব্ৰজনাথ শৰ্ম্মাৰ ঘৰলৈ যায় বুলি। সেই কালত অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে ব্ৰজ শৰ্মাৰ আসাম কোহিনুৰ অপেৰা পাৰ্টিৰ নাম ৰজনজনাই গৈছিল। কোহিনুৰ অপেৰা পাৰ্টিৰ উচ্চমান বিশিষ্ট অভিনয়ৰ ফলত কলিকতীয়া যাত্ৰাদলৰ প্ৰতি মানুহৰ অনুৰাগ কমি আহিছিল।

পাঠশালা আৰু হাইস্কুলীয়া শিক্ষাই ব্ৰজনাথ শৰ্মাৰ জীৱনৰ শেষ শিক্ষা। বৰপেটাৰ ওচৰৰ শিলা নামে গাৱঁত ১৮৯৫ খৃঃত ব্ৰজনাথ শৰ্মাৰ জন্ম হৈছিল। কিন্তু তেওঁ কৰ্ম্মময় জীৱনৰ পাতনি তৰি প্ৰতিভা বিকাশৰ সুচল পায় ইতিহাস প্ৰসিদ্ধ বৰ নগৰত। বৰ নগৰৰ দক্ষিণ গণকগাড়ী গাওঁখন আছিল তেওঁৰ স্থায়ী বাসস্থান। নিচেই সৰু কালৰে পৰা অভিনয়ৰ প্ৰতি তেওঁৰ অনুৰাগ আছিল। ১২ বছৰ বয়সৰে পৰা তেওঁ অভিনয়ত অংশ গ্ৰহণ কৰিছিল। প্ৰৱেশিকাৰ দেওনা পাৰ নোহোৱাকৈয়ে ১৯১৪ খৃঃত ব্ৰজনাথ শৰ্ম্মা সৈনিক হোৱাৰ মানসেৰে প্ৰথম মহাসমৰত যোগদান কৰে। পে'নাতে কলিকতাত ৪৯ বেঙ্গল ৰেজিমেণ্টত এজন সাধাৰণ সৈনিক হিচাপে সোমায়। তাৰ পিচত ক্ৰমে মেচোপটেমিয়া, কেপুৱা, বাগদাদ, কুঁট আমৰা, বাকুৱা আদি ঠাইত ফুৰিবলগা হয়। বাগদাদ চহৰত তেওঁ এজন ভাল সংগীতজ্ঞৰ সান্নিধ্য লাভ কৰে। সেই মানুহজন উত্তৰ প্ৰদেশৰ ভাৰতীয় খৃষ্টান — নাম মিষ্টাৰ জৰ্জ্জ। তেওঁৰ লগত এবছৰ জুৰি সংগীত চৰ্চ্চা কৰে। এবছৰ-মান শিকাৰ পিচত তেওঁক বচোৰালৈ বদলি কৰা হয়। বচোৰাত তেতিয়া ভালেমান বঙালী লোক আছিল আৰু তেওঁলোকে "বেষ্ট বেংগলী ড্ৰেমাটিক ক্লাব" নামে এটা অভিনয় সংস্থা গঠন কৰিছিল। মাহে দহ টকাকৈ মাচুল দি ব্ৰজ শৰ্ম্মা সেই ক্লাবৰ সদস্যভুক্ত হয়। তাত নাট্য কলা চৰ্চ্চা কৰিবৰ বাবে তেওঁলৈ যথেষ্ট সুবিধা আছিল। একটিং, ডেনচিং আৰু সংগীত সুকীয়াকৈ আয়ত্ব কৰিবলৈ প্ৰচুৰ সুবিধা পালে। নিচেই কম দিনৰ ভিতৰতে

ক্লাবৰ গুৰিয়াল হৃষীকেশ মুখাৰ্জীৰ তেওঁ অতি প্ৰিয় পাত্ৰ হৈ উঠে। প্ৰতিখন নাটকতে তেওঁ অনুপম দক্ষতা আৰু অভিনয় নিপুণতাৰ স্বাক্ষৰ দাঙি ধৰিলে। উক্ত ড্ৰামাটিক ক্লাবতেই ১৯১৭ চনৰ পৰা ১৯২১ চনলৈ তেওঁ বঙলা নাটক বাজীৰাও, চন্দ্ৰগুপ্ত, মিচৰ কুমাৰী, ৰাণা প্ৰতাপ, বনবীৰ, দুৰ্গাদাস, ধৰ্ম্ম বিপ্লৱ, বঙ্গে বৰ্গী, ৰিজিয়া, পৃথ্বিৰাজ আদিত অভিনয় কৰি দৰ্শক ৰাইজৰ ভূঁয়সী প্ৰশংসা লাভ কৰিছিল আৰু সুদক্ষ অভিনেতাৰূপে স্বীকৃতি পাইছিল।

যুদ্ধৰ অন্তত ১৯২১ চনৰ এপ্ৰিল মাহত চাকৰি এৰি তেওঁৰ নিজৰ জন্মস্থান শিলা গাৱঁলৈ উভতি আহে। তেতিয়া তেওঁ এগৰাকী বিশিষ্ট সংগীতজ্ঞ আৰু অভিনয় কুশলী শিল্পী। সেই চনৰে চেপ্তেম্বৰ মাহত ব্ৰজ শৰ্ম্মাই নিজ গাৱঁত এটি নাট্যাদল গঢ়ি তুলিলে — নাম দিলে "শিলা কালিকা অপেৰা পাৰ্টি।" শৰ্ম্মাৰ দুজন ককাইদেউ মহেশ্বৰ শৰ্ম্মা আৰু কৃষ্ণনাথ শৰ্ম্মা উক্ত দলৰ মুখ্য অভিনেতা আছিল। বাগদাদ, বচোৰা আদিত অভিনয় কৰা বাজীৰাও, ৰাণা প্ৰতাপ আদি নাটক আছিল গভীৰ দেশাত্মবোধৰ অতুলনীয় ভাণ্ডাৰ স্বৰূপ। অসমীয়াত তেতিয়া যুগ আৰু মঞ্চোপযোগী মৌলিক নাটক নথকাত ব্ৰজ শৰ্মাই এইবোৰ নাটকৰ অনুবাদ কৰি অভিনয় আৰম্ভ কৰিলে। নিচেই কম দিনৰ ভিতৰতে "শিলা কালিকা অপেৰা পাৰ্টি"ৰ নাম চাটিফুটি গ'ল আৰু খ্যাতিও চাৰিওফালে প্ৰচাৰিত হ'ল। কিন্তু তিনি বছৰ সুখ্যাতিৰে চলাৰ পিছত ১৯২৪ চনৰ মেই মাহত উক্ত নাট্যাদলটি ভাঙি যায়।

ব্ৰজ শৰ্ম্মাৰ কিন্তু অৱসৰ নাই। সেয়ে ১৯২৪ চনৰ নবেম্বৰ মাহত তেওঁক সৰভোগ "দক্ষিণ গণকগাড়ী অপেৰা পাৰ্টি"য়ে ওস্তাদৰূপে আদৰি নিলে। উক্ত নাট্যগোষ্ঠীয়েও নামনি অসমত যথেষ্ট সুখ্যাতি অৰ্জ্জন কৰে। একেৰাহে পাঁচ বছৰ ধৰি তেওঁ "দক্ষিণ গণকগাড়ী অপেৰা পাৰ্টি" পৰিচালনা কৰে। ধাত্ৰী পান্না, অজ্ঞাদেৱী, ৰণজিৎ সিংহ, কালাপাহাৰ আদি নাটকে গোটেই অসমতে জোৱাৰ তুলিলে।

পাৰ্টিৰ যাবতীয় খৰছৰ দায়িত্ব বহন কৰিছিল মেনেজাৰ অনাদৰ চন্দ্ৰ মহাজনে। আনন্দিৰাম দাসেও হেনো আংশিক-ভাবে কিছু টকা দিছিল। কিন্তু পাঁচ বছৰৰ পিছত এই দক্ষিণ গণকগাড়ী অপেৰা পাৰ্টিও ভাঙি যায়।

সেই পৰ্য্যন্ত ব্ৰজ শৰ্ম্মা প্ৰমুখ্যে গঠন কৰা অপেৰা দলো আছিল—আত্ম-বিনোদকহে, ই ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠা নাছিল। ১৯৩০ চনত প্ৰথমে ব্ৰজ শৰ্ম্মায়ে ব্যৱসায় থিয়েটাৰ পাৰ্টি গঠন কৰে। পাৰ্টিৰ নাম ৰাখা হৈছিল—আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি। নগাৱঁৰ পুৰণি গুদামৰ বিপিন চন্দ্ৰ শৰ্ম্মা নামে কলামোদী পানেৰী চাহ বাগিচাৰ বৰ কেৰাণী গৰাকীৰ আৰ্থিক সাহায্যৰ ফলত ব্ৰজ শৰ্ম্মাই গঢ়ি তুলিলে উক্ত 'আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি'। এইটোৱেই সৰ্ব্ব প্ৰথম ভ্ৰাম্যমান আৰু ব্যৱসায়িক থিয়েটাৰৰ দল।

এইটো উল্লেখযোগ্য কথা যে—বিংশ শতাব্দীৰ ৩য় দশক পৰ্য্যন্ত পুৰুষেইহে তিৰোতাৰ ভাওত ওলাই স্ত্ৰী-চৰিত্ৰ ৰূপায়ণ

কৰিছিল। ১৯৩৩ চনত মাথোন সাধক শিল্পী, অদ্ভূত সাহসী আৰু বিশিষ্ট অভিনেতা ব্ৰজ নাথ শৰ্ম্মাৰ তত্ত্বাৱধানত পৰিচালিত 'আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি'ত পোন প্ৰথমবাৰৰ বাবে তিৰোতাৰ ভাওত তিৰোতা ওলাই স্ত্ৰী-চৰিত্ৰ ৰূপায়িত কৰি অসমত সহ-অভিনয়ৰ সূত্ৰপাত কৰে। কাজেই ১৯৩৩ চনৰ বছৰটো অসমৰ ৰঙ্গ-মঞ্চৰ বাবে এটি গৌৰৱমণ্ডিত বছৰ। গোলাপী দাস, সৰ্ব্বেশ্বৰী, ফুলেশ্বৰী দাস, লাৱণ্য দাস, শৈলবালা দাস, বিনোদা গগৈ নামৰ ছয়জনী ছোৱালী সংগ্ৰহ কৰি তেওঁ-লোকক লাগতিয়াল প্ৰশিক্ষণ দি 'আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি' ওলাই আহিছিল—অসমৰ মঞ্চ-জগতত এক নতুন ইতিহাস ৰচনা কৰিবলৈ। 'আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি' অসমৰ নাট্য জগতৰ মাইলৰ খুটি। অনুদিত নাটৰ উপৰিও কেবাখনো অসমীয়া নাটক ইয়াৰ যোগেদি মঞ্চস্থ কৰা হৈছিল।

নটগুৰু ব্ৰজ শৰ্ম্মাৰ এনে বৈপ্লৱিক পদক্ষেপত জনচেৰেক বিশিষ্ট ব্যক্তিয়ে উৎসাহ প্ৰদান কৰিলেও, ইয়াক লৈ সমগ্ৰ অসমতে তীব্ৰ আলোড়নৰ সৃষ্টি হ'ল। চাৰিওপিনে বু-বু, বা-বা, নাৰীক মঞ্চলৈ টানি আনি ব্ৰজ শৰ্ম্মাই সমাজক কলুষিত কৰিবলৈহে চেষ্টা কৰিছে। সেয়েহে বোলে কেবাজনো মুখ্য অভিনেতা, আনকি তেওঁৰ ককায়েকেও দল এৰি গুচি যায়। তাকে দেখি সঁচা শিল্পী ব্ৰজনাথ শৰ্ম্মাই কৈছিল—'মই সমাজখনক বিপথে মুঠেও নিব খোজা নাই; বৰং পঞ্চাশ বছৰ আগুৱাই নিবহে খুজিছোঁ। অসমীয়া নাৰীক ওৰণিৰ তলৰ পৰা প্ৰগতিৰ পথত

আগবঢ়াই নিব খুজিছোঁ।—এচাম মানুহক অন্ততঃ জীয়াই থকাৰ সমলকণ দিব খুজিছোঁ।’ তেতিয়া সমাজৰ এচাম ৰক্ষণশীল মানুহে ব্ৰজ শৰ্ম্মাৰ সেই কথা মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰা নাছিল; কিন্তু আজি ভ্ৰাম্যমান থিয়েটাৰৰ বিকাশে ব্ৰজ শৰ্ম্মাৰ সেই সপোন বাস্তৱত ফলিয়ালে। আজি বহুতো ছোৱালী-তিৰোতা ঘৰৰ চাৰিও বেৰৰ মাজৰ পৰা ওলাই আহি অভিনয়ক জীৱিকাৰ পথ হিচাপে গ্ৰহণ কৰিছে। ১৯৩৬ চনত ছয়হাজাৰ টকা লোকচান ভৰি যেতিয়া ‘আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি’ ভাঙি যায়, তেতিয়া ব্ৰজ শৰ্ম্মাই খেদ কৰি কৈছিল—‘আজি ৰাইজৰ মন চিনেমালৈ গৈছে; কিন্তু দহ-বাৰ বছৰ পিছত আকৌ ৰাইজ আকৰ্ষিত হব—এই যাত্ৰা পাৰ্টি থিয়েটাৰ পাৰ্টি সমূহৰ বাস্তৱ অভিনয় উপভোগ কৰিবলৈ। তেতিয়া অসমৰ চুকে-কোণে গঢ়ি উঠিব—এনে বহুতো অভিনয়ৰ দল।’ এতিয়া সেয়ে হৈছে—সমগ্ৰ অসম জুৰি আজি অসংখ্য ভ্ৰাম্যমান—অভিনয়ৰ দল গঢ়ি উঠিছে, সহ-অভিনয় আজি সকলোৱে স্বাভাৱিক ধৰণে গ্ৰহণ কৰিছে, অভিনয়ৰ প্ৰতি আজি সকলোৰে আকৰ্ষণ বাঢ়িছে। নাট্য-শিল্পক ব্যৱসায় ভিত্তিত এওঁলোকে ব্যৱহাৰ কৰাত অদূৰ ভৱিষ্যতত ইয়াৰ বহুল উন্নতি আশা কৰা যায়। কথা-ছবিৰ প্ৰভাৱেও এওঁলোকক তল পেলাব পৰা নাই— বৰং অযুত হাতীৰ বললৈ এওঁলোক আগবাঢ়ি আগবাঢ়িহে গৈ আছে।

ৰঙ্গমঞ্চৰ দেওনা পাৰ হৈ ব্ৰজনাথ শৰ্ম্মাই ১৯৩৫-৩৬ চনত কলিকতাৰ মেগাফোন কোম্পানীৰ অনুৰোধত মনোমতী, পতিতা,

সীতা—এই তিনিখন নাটকৰ মুঠ ঘটনা আঠখন আৰু ছয়খন ৰেকৰ্ডত সম্পূৰ্ণ কৰি ৰেকৰ্ডিং কৰে। আসাম কহিনুৰ পাৰ্টি ভাঙি যোৱাৰ পিছতো ব্ৰজ শৰ্ম্মাই পিপলীবাৰী পাৰ্টিকে ধৰি আন কেইবাটাও অপেৰা পাৰ্টিৰ দলত পৰিচালক অভিনেতা ৰূপে যোগদান কৰিছিল; কিন্তু সম্ভৱতঃ আসাম কহিনুৰ থিয়েটাৰ পাৰ্টিৰ লগে লগে মঞ্চৰ প্ৰতি তেওঁৰ আকৰ্ষণ কমি আহে। শিল্পীৰ নিজৰ কথাত—'ইয়াতে মোৰ নাট্য জীৱনৰ সমাধি হোৱা বুলিব লাগে।'

ব্ৰজ শৰ্ম্মা মানুহজনৰ অন্তৰত লুকাই আছিল—এটি বিপ্লৱৰ আগ্নেয়গিৰি। তাৰ পৰা বহুমুখী হৈ প্ৰতিভাৰ আভা উদগীৰণ হৈছিল তেওঁৰ প্ৰতিটো পদক্ষেপৰ ভিতৰেদি। মঞ্চ-জগতত নিচেই কম দিনৰ ভিতৰত যেনেকৈ তেওঁ বিৰাট আলোড়ন সৃষ্টি কৰিছিল, তেনেকৈ মুক্তি আন্দোলনতো তেওঁ যোগ দিয়াৰ লগে লগে প্ৰখ্যাত হৈ উঠে। ১৯৪২ চনৰ গণ-আন্দোলনত তেওঁ প্ৰবল ধুমুহাৰ দৰে জপিয়াই পৰিল। বৰনগৰৰ ওচৰতে বেকী নদীৰ পাৰত যুদ্ধৰ কাৰণে ইংৰাজে সজা বিমান ঘাটিটো ব্ৰজ শৰ্ম্মাৰ নেতৃত্বতে পুৰি ভস্মীভূত কৰি ইংৰাজৰ আশাত চেঁচা পানী ঢালিছিল। তেতিয়াৰ বিশিষ্ট যুব-কৰ্ম্মী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী প্ৰমুখ্যে লোকসকলৰ অনুৰোধ ক্ৰমে ব্ৰজ শৰ্ম্মাই আত্মগোপন কৰি থাকিল। আনকি সেই অজ্ঞাত বাসৰ কালতো বগা বঙালৰ বিৰুদ্ধে তেওঁ ৰাইজক উদগাই ফুৰিছিল। অৱশেষত ইংৰাজ চৰকাৰে ঘোষণা দিলে যে—ব্ৰজ শৰ্ম্মাক ধৰি দিব

পাৰিলে পাঁচ হেজাৰ টকা পুৰস্কাৰ দিয়া হব। আজি অ'ত কালি ত'ত ছদ্মবেশে লুকাই থাকোঁতে হঠাৎ এদিন ব্ৰজ শৰ্ম্মাক পুলিচে কৰায়ত্ব কৰি বৰফাটেকত সোমাই থলে। এক্ষেৰাহে কেবা বছৰ জুৰি কাৰাগাৰৰ নিৰ্ম্মম যন্ত্ৰণা তেওঁ ভোগ কৰিলে। অৱশেষত যেতিয়া কংগ্ৰেছী বৰদলৈ মন্ত্ৰীসভা গঠিত হল, তেতিয়াহে ব্ৰজ শৰ্ম্মাই মুক্তি লাভ কৰিলে।

দেশ স্বাধীন হ'ল। বিপ্লৱী ব্ৰজ শৰ্ম্মাই কংগ্ৰেছত যোগ দি দেশৰ হকে পুনৰ দেহে-কেহে লাগিল। কিন্তু তেওঁ দেখি তস্মান খালে যে ইংৰাজৰ দিনত চোৰাংচোৱাগিৰি কৰি কংগ্ৰেছী-সকলক ধৰি দিয়া সকলেই মূৰত গান্ধী টুপী পিন্ধি স্বাৰ্থ পূৰণৰ হেতু উঠি-পৰি লাগিল। প্ৰকৃত দেশ-সেৱক, ত্যাগী পুৰুষ সকলেও স্বাৰ্থান্বেষী সকলৰ কাৰ্য্যত প্ৰতিবাদ নকৰিলে। ব্ৰজ শৰ্ম্মাই তাৰ প্ৰতিবাদ কৰিলে যদিও, তেওঁৰ সেই প্ৰতিবাদ মাথো অৰণ্যৰোদনহে হ'ল। গতিকে কংগ্ৰেছ বৰ্জ্জন কৰি তেওঁ যোগ দিলে তেতিয়াৰ নৱ-গঠিত সমাজবাদী দলত। ১৯৫২ চনৰ সাধাৰণ নিৰ্ব্বাচনত তেওঁ কংগ্ৰেছ প্ৰাৰ্থীৰ বিৰুদ্ধে বিধান সভালৈ প্ৰতিদ্বন্দ্বিতা কৰিছিল। অসমীয়াই ব্ৰজ শৰ্ম্মাক বুজি নাপালে। তেওঁ সোচনীয় পৰাজয় বৰণ কৰিব লগা হয়। গুণৰ পূজা কৰিব নোৱাৰাটো এটা জাতিৰ পক্ষে কলঙ্কৰ কথা নহয় নে?

দিন যায়। বছৰ বাগৰে। লাহে লাহে ব্ৰজ শৰ্ম্মাৰ পাৰিবাৰিক জীৱন বৰ দুৰ্ব্বহ হৈ পৰে। তেওঁৰ জীৱনৰ শেষ ছোৱা বৰ বেদনাবিধুৰ। জীৱিকাৰ অৰ্থে তেওঁ ব্যৱসায়ত হাত দিয়ে।

শিল্পীৰ পত্নী ৰক্ষদাদেৱীৰ মতে, শৰ্মাদেৱ পোনতে বাগৰাদ'ল ব্যৱসায়ৰ অৰ্থে যায়; কিন্তু তাত কৃতকাৰ্য্য নহৈ ঘূৰি আহি অ'ত ত'ত সৰু-সুৰা ঠিকা কাম কৰে যদিও দুৰ্নীতিৰ আশ্ৰয় লব নোৱাৰাত তাতো সফল কাম হব নোৱাৰিলে। সেয়েহে জীৱনৰ বিয়লি বেলাত কামৰূপৰ হাউলী আৰু গোৱালপাৰাৰ কেৰ্থ বাৰীত তেওঁ অভিনয় দলৰ ওস্তাদীও কৰে। তেনেতে তেওঁ শ্বাস কফত আক্ৰান্ত হয় — শৰীৰ ভাগি পৰে। উপায়ন্তৰ হৈ তেওঁ গুৱাহাটী মেডিকেল কলেজ হস্পিতালত আশ্ৰয় লয়। শুনা যায় — তাতো ব্ৰজ শৰ্ম্মা যথাযোগ্য চিকিৎসাৰ পৰা বঞ্চিত হৈছিল আৰু মাত্ৰ সাত দিন পিছত ১৯৬০ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে অনাদৃত, অৱহেলিত হৈ হস্পিতালৰ বাৰান্দাত মঞ্চজগতৰ আলোড়নৰ সৃষ্টি-কাৰী, ৰাজনৈতিক জগতৰ নানা উপকথাৰ নায়ক সাধক শিল্পী ব্ৰজনাথ শৰ্ম্মাই শেষ নিশ্বাস কাঢ়ে। এইদৰে অসম মঞ্চ-আকাশৰ এটি উজ্জ্বল জ্যোতিষ্ক চিৰদিনলৈ নিৰ্ব্বাপিত হয়।

শেষত, এটা কথা উল্লেখ কৰিব পাৰি যে ব্ৰজ শৰ্ম্মাৰ আন এটা লেখত লবলগীয়া দিশ হ'ল তেওঁৰ বিৰাট ব্যক্তিত্ব। অসা-ধাৰণ ব্যক্তিত্বই তেওঁক আৰু বেছি মহীয়ান কৰি তুলিছিল। তেনে ব্যক্তিত্বৰ গুণতেই বঙ্গদেশৰ মঞ্চজগতত অহীন্দ্ৰ চৌধুৰী আৰু শিশিৰ কুমাৰ ভাদুৰীৰ যি স্থান, অসমৰ মঞ্চজগতত ব্ৰজ শৰ্ম্মাই তেনেকৈ নিঃসন্দেহে তেনে এখন স্থান লাভ কৰিছিল।

শৰ্ম্মা ডাঙৰীয়াৰ ঐকান্তিকতাই আনকো প্ৰেৰণা যোগাই-ছিল। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক "জয়মতী" কথাছবি

নিৰ্মাণ কৰোঁতে তেওঁৰ ঐকান্তিকতাই বিশেষভাৱে সহায় কৰিছিল। বিখ্যাত অভিনেতা বোলছবিৰ যশস্বী শিল্পী নাট্যকাৰ নটসূৰ্য্য ৺ফণী শৰ্মা, সংগীত শিক্ষক ৺হৰেণ শৰ্মা, সু-অভিনেতা চন্দ্ৰ চৌধুৰী, গুণী শিল্পী কৃষ্ণ শৰ্মা, একটিং শিক্ষক আৰু সুদক্ষ অভিনেতা ৰজনীকান্ত ভট্টাচাৰ্য্য আদি নটগুৰু ব্ৰজনাথ শৰ্ম্মাৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱান্বিত হৈছিল। চন্দ্ৰ চৌধুৰীয়ে ব্ৰজ শৰ্মাৰ বিখ্যাত "আসাম কহিনুৰ থিয়েটাৰ পাৰ্টিত যোগ দি শৰ্মাক গুৰু স্বৰূপে লৈছিল আৰু তেওঁৰ মৰমৰ ভাগী হৈছিল। চৌধুৰীৰ একনিষ্ঠতা, নাট্যকলাৰ প্ৰতি আগ্ৰহ আৰু অভিনয় প্ৰতিভাৰ চিনাকি পাই ব্ৰজ শৰ্ম্মায়ো তেওঁক মৰমৰ শিষ্য হিচাপে গ্ৰহণ কৰি আৱশ্যকীয় শিক্ষা দান কৰে। এনেকৈ এই গৰাকী সঁচা শিল্পী ব্ৰজনাথ শৰ্ম্মায়ে সৃষ্টি কৰিছিল বহুতো অভিনেতা।

মুঠতে, ব্ৰজনাথ শৰ্ম্মা সঁচা শিল্পী, জনতাৰ শিল্পী, যথাৰ্থ বিপ্লৱী, দেশপ্ৰেমিক, সদৌ অসম জুৰি বিৰাট নাট্য আন্দোলনৰ বাট কাটোতা। কিন্তু এনেহেন মহান শিল্পী ব্ৰজ শৰ্মাৰ সাহিত্য প্ৰতিভাৰ আজিও মূল্যাঙ্কণ নোহোৱাটো সঁচাকৈয়ে পৰিতাপৰ কথা। তেওঁ বৰ্জিতা, মনোমতী, উৰ্ব্বশী আৰু বৰুণা নামে চাৰিখন নাটক ৰচনা কৰাৰ উপৰি ভালেমান বঙলা নাটো অনুবাদ কৰিছিল। তদুপৰি উচ্চমান বিশিষ্ট গীতো তেওঁ ৰচি থৈ গৈছে। যাত্ৰা আৰু অভিনয় সম্পৰ্কেও তেওঁ কেবাটাও তত্ত্বগধুৰ প্ৰবন্ধ ৰচনা কৰিছিল। অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ সাংস্কৃতিক শাখা সমিতিত তেওঁ সভাপতি হিচাপে

দিয়া অভিভাষণখনি ভাৱ গধূৰ, মূল্যৱান আৰু অনুপ্ৰেৰণাদায়ক।

সঁচা কথা — ব্ৰজ শৰ্মা আজি উঠি অহা নতুন পুৰুষৰ কাৰণে অনুপ্ৰেৰণাৰ ধ্ৰুৱ-জ্যোতি। সেই জ্যোতি কাহানিও অসমৰ মঞ্চজগতৰ পৰা ম্লান হৈ নাযায়। তেওঁ সিঁচি থৈ যোৱা মঞ্চৰ পোহৰ চেৰেঙাত অসমৰ অভিনয় শিল্প চিৰজ্যোতিষ্মাণ হৈ ৰব। অসমৰ ৰাইজে ব্ৰজ শৰ্মাক পাহৰিলেও, ইতিহাসে তেওঁক নিশ্চয় পাহৰিব নোৱাৰে; কাৰণ সাধক শিল্পী ব্ৰজনাথ শৰ্মা নিজেই অসমীয়া কলা-সংস্কৃতিৰ এখিলা চিৰ সেউজসনা পাত।

# ঢোলৰ যাদুকৰ মঘাই ওজা



"মোৰ কান্ধত ঢোলৰ বোজা মোকে কয় মঘাই ওজা।"— অসমত শিল্পীৰ পানীভ হঁাহ নচৰা অৱস্থাৰ কথা সুঁৱৰি মঘাই ওজাই কৈছিল— "বহুত গামোচা, বহুত শৰাই, বহুত ফুলাম জাপি পালো, কেতিয়াবা হয়তো সেইবোৰকে বেচি খাব লাগিব। তদুপৰি দেশ-বিদেশৰ ৰাইজৰ অকুণ্ঠ মৰমতে মই দুখ-কষ্ট পাহৰি যাওঁ। ঢোলটো কান্ধত লৈ যেতিয়া চাপৰ মাৰিবলৈ আৰম্ভ কৰো পৃথিবীখন তেতিয়া বৰ ধুনীয়া লাগে, যেন ঢোল বজাই থাকোঁতে কেতিয়াবা মই এই পৃথিবীৰ বুকুতে লীণ হৈ যাওঁ।" বজ্ৰনিনাদেৰে ঢোলৰ চেও তুলি ৰভাতলি গমগমাই তুলি দৰ্শক শ্ৰোতাক মন্ত্ৰ-মুগ্ধ কৰি ৰাখিব পৰা দাৰিদ্ৰ্য পীড়িত অসমীয়া গণ-শিল্পী ঢোলৰ যাদুকৰ মঘাই ওজা অসমৰ কলা জগতৰ এটি চিৰস্মৰণীয় নাম।

যোৰহাটৰ পৰা প্ৰায় দুকুৰি মাইল দূৰৈৰ আখৈবাৰী

গাওঁ। সেই গাৱঁতে ১৯১৬ চনৰ এটি পৱিত্ৰ দিনত জন্ম হৈছিল মঘাই ওজাৰ। তেওঁৰ পিতৃৰ নাম বোপাটি বৰুৱা আৰু মাতৃৰ নাম কতুলী বৰুৱা। নিচেই কম বয়সতে তেওঁৰ পিতৃৰ বিয়োগ ঘটে। পঢ়াশালিলৈ গৈ সামান্য লেখা-পঢ়া কৰিছিল যদিও বাপেকৰ মৃত্যুত কিশোৰ মঘাইৰ ওপৰতে সংসাৰৰ দায়িত্ব পৰাত পঢ়াশলীয়া জীৱনৰ যতি পৰে। পৈত্ৰিক মাটি অলপ আছিল, কিন্তু নিজে খেতি কৰিবলৈ মঘাইৰ বয়স তেতিয়াও নৌ হয়। ওচৰতে চেনিজান চাহ বাগিছা। তাতে কিশোৰ মঘায়ে যোগালী হিচাপে ঐৰ কুটা ত'ত থোৱা কামফেৰা কৰিছিল। অতি অলপ দিনৰ ভিতৰতে তেওঁ মিস্ত্ৰি কাম শিকিলে আৰু বৰ কষ্টেৰে ধনো অলপ ঘটিলে।

ঢোল বাদ্যৰ প্ৰতি মঘাইৰ নিচেই সৰু কালৰে পৰা অপৰিসীম আগ্ৰহ আছিল; কাজেই তেওঁ এটা বিহু-ঢোল কিনিলে। বয়োবৃদ্ধ গুণীশিল্পী ডিম্বেশ্বৰ গগৈৰ পৰা তেওঁ ঢোলৰ চেও মালিতাবোৰৰ শিক্ষা গ্ৰহণ কৰিছিল। পিচলৈ তেওঁ নিজা সৃষ্টিধৰ্মী গুণেৰে সিবোৰ পাৰিপাট্য সহকাৰে সজাই লৈ অসমৰ অ'ত ত'ত প্ৰদৰ্শন কৰি ৰাইজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল। মুকলি পথাৰৰ পৰা ঢোলৰ চেও ৰংগমঞ্চলৈ তুলি আনি তেওঁ এক বিস্ময়ৰ সৃষ্টি কৰিছিল।

মঘাইৰ ঘৰুৱা উপাধি আছিল বৰুৱা। কিন্তু জনসাধাৰণে তেওঁক বুলিছিল 'ওজা' অৰ্থাৎ ওস্তাদ। কাজেই তেওঁ ওজা নামেৰে প্ৰসিদ্ধি লাভ কৰিলে।

১৯৫৪ চনত কলিকতাৰ ওৱেলিংটন স্কোৱেৰত গণ-নাট্য সংঘৰ অধিবেশন বহিছিল। তালৈ অসমৰ প্ৰতিনিধি হিচাপে গৈছিল ডঃ ভূপেন হাজৰিকা আৰু মঘাই ওজা। হাজৰিকাৰ কণ্ঠত আৰু মঘাই ওজাৰ ঢোলত কলিকতাৰ হাজাৰ হাজাৰ জনতাই অসমৰ এক নতুন পৰিচয় পালে। সেই অনুষ্ঠানত মঘাই ওজাই ঢোল বজাই বঙ্গদেশৰ বিখ্যাত ঢোলৰ শিল্পী ঢোল বাদক ক্ষিৰোদ নট্টক চমকিত কৰি তুলিছিল। ওজা-দেৱৰ ঢোল পৰিবেশনত ৰাইজ বিস্ময়-বিমূঢ় হৈ পৰিছিল আৰু জাউৰিয়ে জাউৰিয়ে দিয়া হাত চাপৰিয়ে খলকনি তুলিছিল। তাৰ মাজতে ক্ষিৰোদ নট্টই আহি ওজাদেৱক সাৱট মাৰি ধৰিলে আৰু কিমান যে প্ৰশংসা কৰিলে! তদুপৰি সংগীত শাস্ত্ৰী জ্ঞান প্ৰকাশ ঘোষেও ওজাদেৱৰ ঢোল বাদনত মুগ্ধ হৈ অনেক প্ৰশংসা কৰিলে আৰু তেওঁক ঘৰলৈ নি ভালেমান ঢোলৰ বোল টেপৰেকৰ্ড কৰি ৰাখিলে। ই জানো অসম আৰু অসমীয়াৰে গৌৰৱৰ পৰিচায়ক নহয়!

১৯৫৫ চন। সেই চনতে ভাৰতীয় গণ-নাট্য সংঘৰ সদৌ অসম ভিত্তিত হোৱা সন্মিলনৰ সংগীতানুষ্ঠান অনুষ্ঠিত হৈছিল গুৱাহাটীৰ চাৰ্চ ফিল্ডত। একেৰাহে তিনিদিন ধৰি এই সন্মি-লন চলিছিল। উক্ত সংগীতানুষ্ঠানত হেজাৰে হেজাৰে আবাল বৃদ্ধা-বণিতাৰ ভিৰত ৰভাতলি তেনেই উদুলি মুদুলি। ভাৰতবৰ্ষৰ ভিন ভিন প্ৰান্তৰ পৰা বাচকবনীয়া শিল্পীসকলৰ যোগদানে উক্ত সংগীতানুষ্ঠানৰ সৌষ্ঠৱ বাৰুকৈয়ে বঢ়াইছিল। বোলছবিৰ

অভিনেতা বলৰাজ চাহানী, স্বনামধন্য গায়ক হেমন্ত মুখাৰ্জী, সংগীত পৰিচালক সলিল চৌধুৰী, মহাৰাষ্ট্ৰৰ গণ-শিল্পী অমৰ শেখ, ৰবীন্দ্ৰ সংগীত গায়ক দেৱব্ৰত বিশ্বাস আৰু গায়িকা সুচিত্ৰা মিত্ৰ, গণ-নাট্য সংঘৰ নৃত্যশিল্পী আৰু গায়ক শম্ভু মিত্ৰ, আৰু মণ্টু ঘোষ, ভাৰতীয় গণ-নাট্য সংঘৰ সাধাৰণ সম্পাদক নিৰঞ্জণ সেন প্ৰমুখ্যে শিল্পীবৃন্দই সেই অনুষ্ঠানক অতিকৈ চাকচিক্য কৰি তুলিছিল। তদুপৰি অসমৰ কলাগুৰু বিষ্ণুৰাভা, ব্ৰজেন বৰুৱা, ডঃ ভূপেন হাজৰিকা, বলদেৱ শৰ্ম্মা, ৰমেন বৰুৱা, দিলীপ শৰ্ম্মা, সুদক্ষিণা শৰ্ম্মা আৰু অসমৰ বিভিন্ন অঞ্চলৰ লোকনৃত্য, লোকগীত আৰু নাট্য শিল্পীৰ দলসমূহৰ উপৰিও আন ভালেমান নামী অনামী শিল্পীৰ সমাৰোহে উক্ত সংগীতানুষ্ঠানৰ যেনিবা সোণতে সুৱগাহে চৰাইছিল।

গুৱাহাটীত অনুষ্ঠিত উক্ত সংগীতানুষ্ঠানতে মহান গণ-শিল্পী মঘাই ওজাৰ নাম চাটিফুটি গৈছিল। পশু-পক্ষীৰ মাতৰ লগত ঢোলৰ মাত একেদৰে উলিয়াই তেওঁ দৰ্শক শ্ৰোতাক বিস্ময়াভিভূতা কৰি তুলিছিল। ঢোলৰ মাৰিৰ উপৰিও এবাৰ হাতৰ কিলাকুটিৰে, এবাৰ ভৰিৰ গেবোৱাৰে, এবাৰ বুঢ়া আঙুলিৰে, এবাৰ যেনিবা ঠৗতৰিৰে, এবাৰ মূৰেৰে বিভিন্ন ভংগীত বিৰামবিহীন ভাৱে ঢোল পৰিবেশন কৰিছিল। তদুপৰি ট্ৰেইন আহি ষ্টেচনত ৰৈ পুনৰ যাত্ৰা আৰম্ভ কৰা, দলং পাৰ হোৱা, বৰষুণৰ শব্দ, মেঘৰ গাজনি আদি ঢোলত বজাই ৰাইজক যন্ত্ৰ-মুগ্ধ কৰিছিল। তাঁত শালত কাপোৰ বোৱা, সূতা কটা,

তুলা ধুনা আদি অসমৰ পুৰণি ঐতিহ্য মঘাই ওজাই ঢোলৰ বোলত বান্ধিছিল এনেকৈয়ে—

"কঁপাহ ধুন ধুন বেটী
কপাহ ধুন ধুন;
নেওঠনীতে ধুন বেটী;
নেওঠনীতে ধুন।"

অকল সেয়ে নহয়— চিৰাচৰিত গান গাই গাই উত্তেজিত মূহুৰ্ত্তত কেতিয়াবা তেওঁ দেশৰ দুখ-দাৰিদ্ৰ অবিচাৰৰ বিৰুদ্ধেও মঞ্চতে স্বতঃস্ফূৰ্ত্ত ভাৱে গান ৰচনা কৰি গাইছিল—

"মাজুলী দেশতে খোৱাৰ অভাৱত
পেলায় পৰিয়ালক কাটি;
চিলং ৰোডতে দেখিবা ৰাইজসকল
মিনিষ্টাৰ সকলৰ মাটি।"

কাজেই মঘাই ওজাক ঢোলৰ যাদুকৰ নুবুলি বুলিব কি? ওজা-দেৱৰ ঢোল বাদ্যৰ মোহিনী পৰিবেশনত মুগ্ধ হৈ তাত বোল-ছবিৰ প্ৰখ্যাত অভিনেতা বলৰাজ চাহানী আৰু মহাৰাষ্ট্ৰৰ অমৰ শ্বেখে ওজাদেৱক কান্ধত তুলি লৈ দৰ্শকৰ সন্মুখত মঞ্চত থিয় হৈছিল। গুণীয়েহে বুজে গুণীৰ মোল।

১৯৫৮ চন। সেইবেলি গণ-নাট্য সংঘৰ সৰ্ব্বভাৰতীয় সন্মিলন অনুষ্ঠিত হৈছিল নতুন দিল্লীৰ ৰামলীলা ময়দানত। উক্ত সন্মি-লনতো অসম মাতৃৰ কৃতী সন্তান মঘাই ওজাই যোগদান কৰি অসমীয়া শিল্পীৰ শিল্প-চাতুৰ্য্যৰ স্বাক্ষৰ দাঙি ধৰিছিল। সেই

অনুষ্ঠানত যোগদান কৰা চিনা প্ৰতিনিধি বৰ্গৰ উপযুৃপৰি অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ওস্তাদেৱে ঢোল বাদ্য বজাই শুনাই তেওঁলোকৰ পৰা অকুণ্ঠ মৰম আৰু প্ৰশংসা লাভ কৰিছিল।

আন এসময়ৰ কথা। গণ-নাট্য সংঘৰ এটি সাংস্কৃতিক প্ৰতিনিধিদল গৈছিল—দক্ষিণ ভাৰতৰ মাদ্ৰাজলৈ। উক্ত দলত মঘাই ওজাৰ লগতে গৈছিল—বৰগীতৰ ওজা নৰহৰি বুঢ়া ভকত, মণিপুৰৰ বলদেৱ শৰ্ম্মা, অৰুণা আৰু ৰাধাৰাণী। এই সাংস্কৃতিক দলটোৱে মাদ্ৰাজত যথেষ্ট সুনাম অৰ্জ্জন কৰিছিল আৰু ফল-স্বৰূপে ৰুক্মিণী আৰু অৰুণ্ডেলৰ কলাক্ষেত্ৰলৈকে তেওঁলোক বিশেষভাৱে নিমন্ত্ৰিত হৈছিল। তাতো এই শিল্পীদলে অসমৰ সংস্কৃতিৰ বিস্তৰ পৰিমাণে গৌৰৱ বঢ়াইছিল।

১৯৬৩ চন। অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ অধীনত অসমৰ অপৰাজেয় লোকশিল্পী মঘাই ওজা মহাৰাষ্ট্ৰ আৰু কেৰেলাৰ বিভিন্ন ঠাইলৈ গৈ উচ্চমান বিশিষ্ট আৰু বাৰে ৰহণীয়া অসমীয়া সংস্কৃতিৰ উজ্জ্বল ছবি এখন ৰাইজৰ চকুত উন্মিলীত কৰি দিয়ে।

নিজে কষ্ট কৰি চৰ্চ্চা কৰাৰ ক্ষমতা, সাধনা আৰু বিনয় স্বভাৱৰ বাবে মঘাই ওজা ঢোলৰ যাতুকৰ হব পাৰিছিল। ওস্তাদেৱে তেওঁৰ গুৰু ডিম্বেশ্বৰ গগৈৰ পৰা বাজনা শিকাৰ উপৰিও নিজৰ সৃষ্টিশীল প্ৰতিভাৰ দ্বাৰা তেওঁ অনেক নতুন বাজনা নিজে আয়ত্ব কৰি লৈছিল—য'ত শিল্পী গৰাকীৰ প্ৰাণৰ উন্মেষ বাজি উঠিছিল আৰু এই প্ৰতিভাৰ গুণতেই তেওঁ

সদৌ ভাৰত, চীন, ৰাচিয়া আদি দেশৰ কলা-সংস্কৃতিপ্ৰেমী ৰাইজৰো সমাদৰ লাভ কৰিবলৈ সমৰ্থবান হৈছিল। সেয়েহে ওজাদেৱৰ নিজ গাওঁ আখৈবাৰী গাৱঁৰ আলিবাটেদি গাৱঁৰ ল'ৰা গাৱেঁ গাৱেঁ বন্তি জ্বলাই যোৱা মঘাইৰ ঘৰলৈ মহান শিল্পী বলৰাজ চাহানী, হেমাংগ বিশ্বাস, বিষ্ণু ৰাভা, ফণী শৰ্ম্মা, ডঃ ভূপেন হাজৰিকা আৰু দেশ-বিদেশৰ বহুগুণী শিল্পীক আকুহি আনিছিল। ওজাদেৱৰ সান্নিধ্য লভি তেওঁলোকে নিজকে ধন্য মানিছিল।

সেইয়া আছিল ১৯৭৮ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখ। সেই-দিনাই অসমৰ সংগীত আৰু কলা জগতৰ মহান শিল্পী মঘাই ওজা কালৰ বুকুত চিৰদিনৰ কাৰণে হেৰাই যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ।

'আমে পাত সলালে, চামে পাত সলালে, সলাই নেমু-টেঙাই প'তে অ' আইজনী হলা বাৰজনী' —বুলি উদাও কণ্ঠেৰে চিঞৰি চিঞৰি গোৱা পৃথিবীৰ শ্ৰেষ্ঠতম গণ শিল্পী মঘাই ওজা আৰু কোনো দিনেই আমাৰ বিহুতলীলৈ কান্ধত ঢোলটো লৈ অসমৰ শুই থকা শ্ৰীশ্ৰীকলাৱতী জনীক জাগ্ৰত কৰি নাচোন নচুৱাবলৈ নাহে। সেয়ে ওজাদেৱৰ অকাল মৃত্যুত অসমৰ কলা-জগতৰ অপৰিসীম ক্ষতি সাধনৰ কথা সুৱঁৰি সুৱঁৰি প্ৰখ্যাত লোক সংগীত শিল্পী, গীতিকাৰ, সুৰকাৰ আৰু সাহিত্যিক হেমাংগ বিশ্বাসে কৈছিল—'ওজা ভাই আকৌ লাগে আজি

অৰণ্যক ঢোলৰ মাত

নিস্ফলা মাটিৰ কইনাৰ
গৰ্ভকোষ উদ্দীপিত কৰি
সঞ্জীৱিত সৃষ্টিৰ ভ্ৰূণক
বজ্ৰৰ গৰ্জনে অনা
ধুমুহাৰ তালে—।’

ডঃ ভূপেন হাজৰিকাৰ ভাষাত—

“কুলিটোৱে বাৰে বাৰে কান্দে
তাঁতশালত শিপিনী হব লাগে
ঘনে পতি ৰাঁচ নচলে
দোৰপতি মাকো থমকে
মাধৈ মালতী ফুলিও নুফুলে
ঢেঁকি থমকি ৰয়, মঘাই ওজা নাই
গোনা ম’হৰ যুঁজ শেষ হয়
গগনাৰ মাতেৰে কোনোবাই উচুপে
ঢোলত চাপৰ নপৰে
মঘাই ওজা নাই।”

বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাই কয়—

“মৰণ বিজয় তুমি ঢুলীয়া মঘাই—
ঘাই ওজা অসমৰ গৌৰৱ মুকুট,
ইন্দ্ৰ সভাত আজি বাজিছে তোমাৰ ঢোল—
ওলগ যাচিছে আহি যত দেৱদূত
জানিছে বুজিছে যাৰ ঢুলীয়াৰ মোল।”

অসমত শিল্পীৰ পানীত হাঁহ নচৰা অৱস্থা। মঘাই ওজাৰো সেয়ে আছিল। জীৱিত কালত মঘাই ওজাক আমি যিদৰে সন্মান যাচিব লাগিছিল—তাকে কৰা নহ'ল। মৃত্যুৰ মাহ চেৰেক আগতে ওজাদেৱে নৰিয়া গাৰে ঢোলৰ বিভিন্ন মালিকা, উৎপত্তি আদি লিপিবদ্ধ কৰিছিল—হেমাংগ বিশ্বাস, ডঃ ভূপেন হাজৰিকা, অৰুণ গোস্বামীৰ অনুৰোধক্ৰমে। কিন্তু এইটো বৰ পৰিতাপৰ কথা যে শিল্পী জনাৰ জীৱনকালত ওজাদেৱৰ ঢোল বাদনৰ এখনো গ্ৰামোফোন ৰেকৰ্ড নোলাল। তেওঁৰ এজন লৰা আৰু কাকজানৰ পুণ্যপ্ৰভা দত্তই সেই সম্পৰ্কীয় কিছু বিদ্যা আয়ত্ব কৰি লোৱাত বাহিৰে ওজাদেৱে তেনেকৈ কোনো শিষ্য এৰি যাব নোৱাৰিলে নাইবা কোনো বিদ্যালয় স্থাপন কৰি এই কাম কৰাৰ সুবিধা ওজাদেৱে নাপালে। অৱশ্যে এইটো বৰ শুভ লক্ষণ যে স্বৰ্গগত ওজাৰ স্মৃতিত যোৰহাট হাতীগড় মৌজাৰ ৰোমেশ্বৰ বৰুৱা আজিৰ কাষত চৰকাৰে মঞ্জুৰী দিয়া সাত বিঘা মাটিত অসমৰ কলা-সংস্কৃতিৰ কেন্দ্ৰ এটি স্থাপনৰ কাৰ্য্য-সূচী ইতিমধ্যেই তেওঁৰ ছমহীয়া তিথিত সম্পন্ন হৈ যায়। আৰু উক্ত সভাতেই মঘাই ওজাদেৱৰ গুৰু শ্ৰীডিম্বেশ্বৰ গগৈ (বয়স — ৮০ বছৰ) ওজাদেৱে কেন্দ্ৰলৈ তেখেতে নিজ হাতে-কটা এটা ঢোল আৰু এটা মৃদং দান কৰে।

দাৰিদ্ৰ পীড়িত মঘাই ওজা পইচাৰ অভাৱত, চিকিৎসাৰ অভাৱত গাৱঁৰ ভগা পঁজাতে শেষ নিশ্বাস কাঢ়ি অনাদৃত অৱহেলিত অসমীয়া শিল্পীৰ নিৰুৰুণ পটন্তৰ হ'ল। মঘাই ওজাৰ

দৰে অসমৰ গাৱেঁ-ভূঞে থকা কিমান জন মঘাই ওজা মৃত্যুৰ মুখত পৰি ককবকাই আছে তাৰ লেখ কোনে লব? কিন্তু সেইজন মঘাই ওজায় অসমৰ ঢুলীয়া শ্ৰেণীটোৰ সন্মান কল্পনাতীত ভাবে ওপৰলৈ তুলি দি গ'ল। অসমৰ অনাদৃত অসমাদৃত ঢোল বাদ্য মঘাইৰ দৰে নিপুণ সাধক শিল্পীৰ হাতত পৰি জগতৰ ভিতৰত এক সমাদৃত বাদ্যত পৰিণত হ'ল। মঘাই ওজাৰ ৰাচিয়া আৰু অন্যান্য বিদেশী ৰাষ্ট্ৰ ভ্ৰমণৰ দৃষ্টান্তই প্ৰতিপন্ন কৰে যে ৰাজনীতিক বা ৰাষ্ট্ৰনীতিবিদে দিয়া বক্তৃতাতকৈ এগৰাকী শিল্পীয়ে বিশ্ব দৰবাৰত বেচি কাম কৰিব পাৰে। ওজাদেৱৰ ঢোলবাদন ৰুচিয়াত ৰেকৰ্ড কৰা হৈছিল। ৰুচিয়াৰ সংগীত বিশ্ববিদ্যালয়ে ৰুচ যুৱক-যুৱতীক ঢোল বাদনৰ প্ৰশিক্ষণ দিবলৈ এতিয়া ইয়াক ব্যৱহাৰ কৰি আছে। মঘাই ওজাই ৰুচ ভ্ৰমণ নকৰালৈকে তাৰ বহু লোকৰে অসমৰ বিষয়ে একো ধাৰণা নাছিল আৰু বহুতে অসমৰ নামকে জনা নাছিল। কিন্তু তেওঁৰ অন্যান্য সাধাৰণ গুণৰ কাৰণে অসমে অকল খিয়াতিকেই লাভ কৰা নাই, বিশ্ব দৰবাৰতো অসমৰ কলা-সংস্কৃতিৰ বিজয় ডঙ্কা ঘোষিত হৈছে। কিন্তু বৰ পৰিতাপৰ কথা যে অসমৰ কলা-সংস্কৃতি সম্প্ৰতি অসমতেই অৱহেলিত হৈ আছে। অসমৰ কলা-সংস্কৃতি জীয়াই ৰাখিবলৈ হলে প্ৰত্যেক ছোৱালী আৰু মহিলাই বিহুনাম জানিব লাগিব আৰু প্ৰতিজন ডেকাই ঢোল বজাব জানিব লাগিব। অসমৰ প্ৰত্যেকেই অসমৰ কলা-সংস্কৃতিক বিশ্বৰ বিভিন্ন অংশলৈ কঢ়িয়াই নিব লাগিব। আমি আমাৰ পুৰণা সংস্কৃতি পুনৰ সঞ্জীৱিত

নকৰিলে আৰু অসমৰ অৱহেলিত শিল্পী সকলক সন্মান জনাবলৈ নিশিকিলে আমাৰ উন্নতি নহয়।

গণ-শিল্পী মঘাই ওজা কলা-কৃষ্টি সংঘৰ আধাৰশিলা স্থাপন কৰি উক্ত সংঘটো নিৰ্ম্মাণ কৰিবলৈ চৰকাৰে হেনো ৩৫ লাখ টকাৰ আঁচনি লৈছে। উক্ত অনুষ্ঠানত অসমৰ পুৰণি গীত-মাত, নৃত্য, লোকনৃত্য শিকোৱা হব আৰু ই হব আবাসিক শিক্ষানুষ্ঠান। জাতীয় চৰকাৰ আৰু ৰাইজৰ আশা গুধীয়া চেষ্টাত উক্ত আঁচনি অনতিবিলম্বে কাৰ্য্যত পৰিণত হলেহে ওজাদেৱৰ প্ৰতি যথাৰ্থ সন্মান প্ৰদৰ্শন কৰা হব। আমিও তাকে কামনা কৰোঁ।

(ওজাভাই, আমাৰ অভিযানৰ "আগৰণুৱা" হবা তুমি আৰু তোমাৰ ঢোল হব আমাৰ জয়ডঙ্কা"। —হেমাংগ বিশ্বাস)

শিল্পী-সেনা

## ॥ জয়ন্ত হাজৰিকা ॥



"আমাৰ মাজত বহুতো অসুৰ আছে। এই অসুৰবোৰে সংস্কৃতিৰ নামত দুষ্কৃতি কৰি আছে। মই কিন্তু সিহঁতক ক্ষমা নকৰো। মই সিহঁতক বধ কৰিম—সুৰেৰে—কামেৰে। লাগে মই মোৰ প্ৰাণ দিম। তথাপি সিহঁতক শেষ কৰিহে এই

পৃথিবীৰ পৰা মই বিদায় লম। মোৰ নাম জয়ন্ত হাজৰিকা”। কণ্ঠৰ সুৰেৰে ৰাইজক সাৰটি লোৱা অসমৰ সংগীত জগতত ভোলপাৰ লগোৱা জয়ন্ত হাজৰিকাৰ এয়া আছিল প্ৰাণৰ কথা জীৱনৰ উদ্দেশ্য। ঘৰুৱা মানুহখিনিৰ মাজত আৰু আপোন ভাবে পোৱা সকলৰ মাজত জয়ন্ত হাজৰিকা হ'ল মৰমৰ বাণা অথবা বাণা ভাইটি। জয়ন্তৰ জন্ম হৈছিল মঙ্গলদৈত ১৯৪২ চনৰ চেপ্তেম্বৰ মাহৰ কোনোবা এক মহেন্দ্ৰ ক্ষণত। তেওঁৰ পিতৃ নীলকান্ত হাজৰিকা।

পাঁচ বছৰ বয়সতে জয়ন্তই আন আন কণ কণ লৰা-ছোৱালীৰ দৰে খেলাৰ পুতলা হাতত লোৱা নাছিল—লৈছিল এটা মাউথ অৰ্গেন। তেতিয়া মাউথ অৰ্গেনটোৱেই যেন আছিল তেওঁৰ একমাত্ৰ সংগী। উঠোতে বহোতে খাওঁতে শোওঁতে মাউথ অৰ্গেনটো হাতৰ পৰা নেৰিছিলেই। স্কুলৰ তলৰ শ্ৰেণীত পঢ়ি থাকোতেই ‘মাষ্টাৰ বাণা'ই মঞ্চত মাউথ অৰ্গেন পৰিবেশন কৰি ৰাইজৰ পৰা ভূঁয়সী প্ৰশংসা লাভ কৰিছিল। তাৰ পিছত কিছু ডাঙৰ হলত তেওঁ হাত দিলে হাৰমোনিয়ামত তাতো অনতিবিলম্বে পাৰদৰ্শী হৈ উঠিল। জয়ন্তৰ হাৰমোনিয়াম বজোৱাৰ ষ্টাইল দেখি সকলোৱে তাইজপ মানিছিল। মাক-দেউতাক আৰু ককায়েক ডঃ ভূপেন হাজৰিকাৰ পৰাই গীত গাবলৈ জয়ন্তই প্ৰেৰণা পাইছিল।

১৯৪৮ চন। সেই বছৰতে গুৱাহাটীৰ উজান বজাৰৰ পকী ঘাটৰ কাষতে থকা এটি ‘আসাম টাইপ'ৰ প্ৰকাণ্ড খেৰী ঘৰত

গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ জন্ম হয়। সেই অনাতাঁৰ কেন্দ্ৰটোতে 'অকণিৰ-মেল' অনুষ্ঠানত জয়ন্তই জীৱনৰ প্ৰথম গীত গায়। তেতিয়া তেওঁৰ বয়স মাত্ৰ ছয় বছৰ। এইদৰে অতি অলপ দিনৰ ভিতৰতে জয়ন্ত সকলোৰে আদৃত কণ্ঠশিল্পী হৈ আৰু সৰহভাগ গীত নিজে সুৰ দি গায়। কণ্ঠ, সুৰ, তাল-মানৰ ওপৰত পাৰদৰ্শিতা থকাৰ বাবেই আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰই অডিচন নোলোৱাকৈয়ে জয়ন্ত হাজৰিকাক নিয়মিত ভাবে গীত পৰিবেশন কৰিবলৈ আমন্ত্ৰণ জনায় আৰু জয়ন্তয়ো সেই আমন্ত্ৰণ সাদৰে গ্ৰহণ কৰে। ককায়েক ভূপেন হাজৰিকাৰ আশীৰ্ব্বাদ, অনুপ্ৰেৰণা আৰু তত্ত্বাৱধান আৰু শ্ৰোতা ৰাইজৰ অন্তৰভৰা মৰমত উদ্বুদ্ধ হৈ জয়ন্ত হৈ পৰে সংগীত সাধনাৰ একনিষ্ঠ সাধক।

১৯৬২ চন। সেই চনতে জয়ন্তৰ প্ৰথমটো গীত এইচ, এম, ভি য়ে ৰেকৰ্ড কৰে। গীতটো হল ডঃ নিৰ্ম্মল প্ৰভা বৰদলৈ ৰচিত— 'আগলি বতাহে কঁপালে কলৰে পাত—
মন উৰণীয়া হেৰালে বাটৰে আঁত .....”

ইত্যাদি। ইয়াৰ আনটি পিঠিত আছিল মায়াশ্ৰী বৰকটকীৰ—

'কৃষ্ণচূড়া, কৃষ্ণচূড়া
কৃষ্ণচূড়া, তোমাৰ প্ৰাণৰ
ৰঙেৰে মোৰ জীৱন
এবাৰ ৰঙাই তোলা” ইত্যাদি।

দুয়োটি গীতৰ সুৰ জয়ন্তই নিজে দিয়া। এই গীত প্ৰচাৰৰ

লগে লগে সংগীত জগতত থকবকনি উঠিল। অকল জানো সেয়ে—সেই বছৰতে প্ৰকাশিত অসমীয়া ৰেকৰ্ডৰ ভিতৰত উক্ত গীত সবাতোকৈ অধিক বিক্ৰী হয় আৰু এইচ, এম, ভি, ৰ 'ভয়েচ' পত্ৰিকাত জয়ন্ত হাজৰিকাৰ ফটো ছপাই তেওঁক সুকণ্ঠ উচ্চমান বিশিষ্ট সংগীত শিল্পী বুলি স্বীকৃতি প্ৰদান কৰে।

বোলছবিৰ কাৰণে ৰেকৰ্ড কৰা জয়ন্ত হাজৰিকাৰ প্ৰথম গীতটো হ'ল—শ্যামল মিত্ৰৰ সৈতে গোৱা গীতটো—সোণৰ বৰণ পাখীৰে তোৰ·······।' সহকাৰী সংগীত পৰিচালক হিচাপে জয়ন্তই 'মণিৰাম দেৱান' নামৰ ছবিখনৰ যোগেদি পোনতে বোলছবি জগতত সোমাই পৰে। ইয়াৰ পিছত 'প্ৰতিধ্বনি', 'লটি-ঘটি' আৰু 'চিক্‌মিক বিজুলী' তো সহকাৰী সংগীত পৰিচালকৰূপে কাম কৰে। স্বতন্তৰীয়া ভাবে সংগীত পৰিচালনা কৰা জয়ন্ত হাজৰিকাৰ প্ৰথম ছবিখন হ'ল—'বনৰীয়া ফুল'। 'বৃষ্টি আৰু 'ধৰ্ম্মকাই' ৰো স্বাধীন ভাবে তেওঁ সংগীত পৰিচালনা কৰে। অভিনেতা হিচাপে দুখন ছবিত তেওঁ অভিনয়ো কৰিছিল। তাৰে এখন হ'ল—'লটি-ঘটি' আৰু আনখন 'চিক্‌মিক-বিজুলী।' অৱশ্যে অভিনয়তকৈ গীতহে তেওঁৰ প্ৰাণৰ বস্তু আছিল। সেয়ে তেওঁ নিজে কৈছিল—'অভিনয় কৰিছিলো দুখন ছবিত। পিছে, মোৰ অভিনয় কৰাৰ ইচ্ছা নাছিল। জোৰকৈ মোক কৰিবলৈ দিছিল। এতিয়া অভিনয় আৰু নকৰো। এই অভিনয়-চভিনয় মোৰ ভাল নালাগে। কেৱল গীতহে গাম।' জয়ন্ত হাজৰিকাই কেইবাখনো তথ্যচিত্ৰৰো

সংগীত পৰিচালনা কৰিছিল। তাৰে প্ৰথম ছবিখন হ'ল—দুলাল শইকীয়া পৰিচালিত—'হুইলচ্ এণ্ড দি হৰাইজন।'

ভাৰতৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ কলিকতা মহানগৰীৰ সাংস্কৃতিক পৰিবেশৰ মাজত ককায়েক ডঃ ভূপেন হাজৰিকাৰ সান্নিধ্যত জয়ন্তই চেমনীয়া কালতে বছৰচেৰেক কটাইছিল। তাতে ভালে-মান স্বনামধন্য প্ৰথিতযশা শিল্পী আৰু কলাকুশলী। যেনে—উদয়শঙ্কৰ, আলী আকবৰখাঁ, হেমন্ত মুখাৰ্জ্জী, সলিল চৌধুৰী, শ্যামল মিত্ৰ আদিৰ সান্নিধ্য লভি সেই সকলৰ স্নেহাশীৰ্ব্বাদ লভিবলৈ সক্ষম হৈছিল। বিশ্ববিশ্ৰুত মিউজিক কণ্ডাক্টৰ ভি, বালছাৰা, ব্ৰাই, এছ, মুলকী, হিমাংশু বিশ্বাস প্ৰমুখ্যে তেওঁ-লোকৰ বিভিন্ন সংগীত কাৰ্য্য-সূচীত জয়ন্তক সহযোগীৰূপী আকোৱালি লৈছিল, সংগীত সম্পৰ্কে তেওঁৰ লগত গভীৰ আলোচনা কৰিছিল। তেওঁৰ অমায়িকতা বিনয়পূৰ্ণ বচনে যিদৰে অসমৰ বহুজন জ্যেষ্ঠ আৰু সহশিল্পীক বিমুগ্ধ কৰিছিল, তেনেকৈ তেওঁ আশীৰ্ব্বাদ লভিছিল—পশ্চিম বঙ্গৰ উত্তম কুমাৰ, জহৰ ৰায়, বসন্ত চৌধুৰী, সন্তোষ সেনগুপ্ত, চিন্ময় চেতাৰ্জ্জী, বোম্বেৰ—লতা মঙ্গেশকাৰ, আশা পাৰেখ, উষা মঙ্গেশকাৰ, বলৰাজ ছাহনী, লক্ষ্মীকান্ত প্যাৰেলাল, শচীন দেৱ বৰ্ম্মণ, ৰাহুলদেৱ বৰ্ম্মণ আদি বোলছবিৰ সংগীতৰ বিভিন্ন শিল্পী কলাকুশলীৰ পৰা।

চেমনীয়া কালৰে পৰা জয়ন্তই গীতাৰ বজাবলৈকো লৈছিল। ককায়েক ভূপেন হাজৰিকাৰ উদাত্ত কণ্ঠৰ গীতৰ লগত জয়ন্তৰ

গীতাৰে সোণতে সুৱগা চৰাইছিল। ক'তো নিয়মীয়াকৈ নিশিকা স্বত্বেও যি কোনো পাশ্চাত্য তাঁৰৰ যন্ত্ৰ তেওঁ সুন্দৰকৈ বজাব জানিছিল। বিশ্ববিখ্যাত ছৰোদবাদক আলী আকবৰখানে জয়ন্তক ছৰোদ শিকিবলৈ উদগনি দিয়াৰ উপৰি নিজেই শিকাবলৈ লৈছিল; পিছে, নানা কাৰণত হেনো সেই শিক্ষা গ্ৰহণ অসম্পূৰ্ণ হৈ থাকিল।

১৯৭২ চন। সেই চনতে ককায়েক ডঃ ভূপেন হাজৰিকাৰ সহযোগী হিচাপে জয়ন্তই বাৰ্লিনলৈ গৈ তাত অনুষ্ঠিত যুৱ-মহোৎসৱত অসমীয়া গীতৰ জয়ডঙ্কা বজাইছিল। আকৌ ১৯৭৩ চনতো ককায়েক ডঃ হাজৰিকাৰ সৈতে দ্বিতীয়বাৰৰ কাৰণে যোগদান কৰিছিল ইণ্টাৰ নেচনেল ইউথ ফেষ্টিভেলত। এইদৰে পূৱ জাৰ্মানীত-বাৰ্লিনকে ধৰি ভালেমান ঠাইৰ যুৱক-শ্ৰমিকৰ মাজত উদাত্ত কণ্ঠেৰে গীত গাই গাই ৰাইজক সাৱটি লৈছিল। তাতে বিশ্ববিশ্ৰুত লোক সংগীত আৰু ৰাজনৈতিক সংগীতৰ শিল্পী কানাডাৰ পেৰী ফ্ৰিডমেন, জেক উইণ্টাৰ আদিৰ সান্নিধ্যলৈ আহি তেওঁলোকৰ দ্বাৰা অনুপ্ৰাণিত আৰু উদ্বুদ্ধ হৈছিল।

"সুৰ বাহিনী" জনশিল্পী জয়ন্ত হাজৰিকাৰ এক অভিনৱ সৃষ্টি। তেওঁ কোৱা মতে—এই সুৰ-বাহিনী হব—গীত আৰু সুৰৰ মাজেৰেই নিপীড়িত প্ৰপীড়িত ৰাইজলৈ সেৱা আগবঢ়াবৰ বাবে। মোৰ বিশ বছৰ পৰিকল্পনা এই সুৰবাহিনী। মই ইমান দিনে মনে মনে আছিলো; কিন্তু মই এতিয়া কথা কম মোৰ সুৰেৰে। মই গীত গাবলৈ ওলাই আহিম আলিবাটলৈ—মঞ্চলৈ

নহয়। মোৰ এই "সুৰ বাহিনী"ৰ উদ্দেশ্য হব — ৰাইজৰ বিপদৰ সময়ত, দুৰ্য্যোগৰ সময়ত, সুৰ বাহিনীয়ে সুৰেৰে গীতেৰে ৰাইজৰ কাষত থিয় দিবগৈ সদায়ে। আনহাতে সংস্কৃতিৰ নামত দুষ্কৃতিৰ পোহৰ মেলা সকলক বাধা দিব সুৰ বাহিনীয়ে সুৰেৰে।"

যেনে কথা তেনে কাম। জুন মাহ — ১৯৭৭ চন। লগত গায়িকা পত্নী মিঠু ওৰফে মনীষা হাজৰিকা আৰু জনদিয়েক গায়ক গায়িকা লগত লৈ এখন ট্ৰাকত দলৰ দলপতি হৈ গুৱাহাটীৰ পৰা জয়ন্তই যাত্ৰা আৰম্ভ কৰিলে উজনিৰ গোলাঘাট, যোৰহাটলৈ। বিভিন্ন ঠাইত গীত গালে, উদাত্ত কণ্ঠেৰে লুইতৰ বলিয়াবানক অসমীয়া ৰাইজক আৰু যাতনা নিদিবলৈ —

"দুৰ্য্যোগ লগ্নৰ দেখো হাহাকাৰ
হেৰৌ বলিয়া বৰ নৈ হলি দুৰাচাৰ
ৰাইজক সাৱটিম কণ্ঠৰ সুৰেৰে
ৰোধিবই লাগিব গতি দুৰ্ব্বাৰ।
ধৰমৰ নামঘৰ যাছি ব্যভিচাৰ
পথাৰৰ লখিমী কৰি ছাৰখাৰ
হাঁহিছ কিয়নো হাঁহি কংসৰ
আজি তোকেই বধিবলৈ
মাৰি যাওঁ ডাঁৰ ……।"

গীত গাই গাই সুৰ বাহিনীয়ে নিচেই কম দিনৰ ভিতৰতে ধন-সংগ্ৰহ কৰিলে ৩৩৬৯'৮৫ টকা। তাৰে এপইচাও ছান নাকাঢ়ি উক্ত সমস্ত ধনৰ চেক এখন উপায়ুক্তৰ হাতত দি দিলে।

সুৰ বাহিনীৰ ভৱিষ্যত সম্পৰ্কে তেওঁ কৈছিল — "কেৱল অসম কিয় প্ৰয়োজন হলে আমি পশ্চিম বংগ, উৰিষ্যা দেশৰ যিকোনো দুৰ্দ্দশাগ্ৰস্ত লোকৰ বাবে গীত গাবলৈ যাম। আলিবাটত গীত গাই সংগ্ৰহ কৰা পইচাৰে দুখীয়া দৰিদ্ৰক সহায় কৰাৰ উপৰিও এখন সংগীত বিদ্যালয় স্থাপন কৰাৰো ইচ্ছা আছে। আনহাতে সুৰ বাহিনীক লৈ ছবি এখন কৰাৰ কথাও ভাবি আছোঁ।"—ইত্যাদি।

জয়ন্ত হাজৰিকাই বহু গীতিকাৰৰে গীত গাইছে; কিন্তু তাৰে ভিতৰত সৰহ খিনিয়েই ডঃ নিৰ্ম্মল প্ৰভা বৰদলৈৰ গীত। তাকে লৈ বহুতে হেনো অভিযোগ কৰিছিল বোলে জয়ন্তই কেৱল নিৰ্ম্মল প্ৰভা বৰদলৈৰ গীতকে গায়। তাৰ উত্তৰত তেওঁ কৈছিল—'মই অকল ডঃ নিৰ্ম্মল প্ৰভা বৰদলৈৰ গীতকে গোৱা নাই; আন বহু গীতিকাৰৰ বহু গীত মই গাইছো। অৱশ্যে ডঃ নিৰ্ম্মল প্ৰভা বাইদেউৰ গীত সৰহ গাইছোঁ—বোধকৰোঁ তেওঁৰ গীতৰ লগত মোৰ কিবা এটি মিলে নেকি! মই দেখোন গীতিকাৰ সতীশ দাস, মায়াশ্ৰী বৰকটকী, ডাঃ উপেন কাকতি, হেমন্তকুমাৰ দত্ত, হেমেন হাজৰিকা, পুৰুষোত্তম দাস, ইন্দ্ৰেশ্বৰ বৰগোহাঁই, ককাইদেউ ডঃ ভূপেন হাজৰিকা প্ৰমুখ্যে বহুতো গীতিকাৰৰে গীত গাইছোঁ। মানুহে মোক এনেয়ে ভুল বুজিছে।

১৯৭৭ চন। অক্টোবৰ মাহ। জয়ন্ত গৈছিল কলিকতালৈ। 'নতুন আশা' বোলছবিৰ সংগীত পৰিচালনাৰ অৰ্থে। কিন্তু

হঠাতে ১৫ অক্টোবৰ তাৰিখে অমৰ শিল্পী জয়ন্ত হাজৰিকাৰ তাতে বিয়োগ ঘটিল। জয়ন্তৰ আশাবোৰ আশা হৈয়েই থাকিল—। সকলোকে হতাশা কৰি ১৭ অক্টোবৰত উলটি আহিল—জীৱন্ত জয়ন্তৰ পৰিৱৰ্ত্তে জয়ন্তৰ প্ৰাণহীন দেহটো আৰু অকালতে শিৰৰ সেন্দুৰ হেৰুওৱা শিল্পী গৰাকীৰ মৰমৰ পত্নী মনীষা হাজৰিকা আৰু সাতবছৰীয়া একমাত্ৰ সন্তান ৰাজা। আবাল বৃদ্ধ বণিতা সকলো উদ্বাউল হ'ল—তেওঁৰ মৃতদেহ সাবটি লবলৈ, মৰম যাচিবলৈ। সকলোৱে মাথো হিয়ালি-জিয়ালিকৈ কান্দিলে। হেজাৰজনৰ চকুৰ আগতেই জয়ন্তৰ মৃতদেহ চিতাত জ্বলাই দিয়া হ'ল। জনতাৰ মৰমী শিল্পী জয়ন্ত হাজৰিকাৰ দৰে এটি প্ৰতিভাৰ অকাল আৰু আকস্মিক বিয়োগত অসমৰ সংগীত জগতৰ অপূৰণীয় ক্ষতি হ'ল।

শিল্পী জয়ন্ত হাজৰিকা আছিল অক্লান্ত পৰিশ্ৰমী। আগ-নিশা দুই তিনি বজালৈ পৰিশ্ৰম কৰিও প্ৰয়োজন অনুসৰি সৃষ্টিধৰ্ম্মী নাইবা সংগঠন ধৰ্ম্মী কামৰ কাৰণে ৰাতিপুৱা পাঁচ বজাতে তেওঁ উপস্থিত হব পাৰিছিল। দৰাচলতে কবলৈ গলে অফুৰন্ত সৃষ্টিশক্তি, অসীম সাহস, বিৰামহীন অদম্য উৎসাহৰ উৎস জয়ন্ত হাজৰিকাৰ পয়ত্ৰিশ বছৰীয়া জীৱনটো আছিল বিস্ময় আৰু আশ্চৰ্য্যৰ সমন্বয়। জীৱনৰ প্ৰতিটো বস্তুৰ প্ৰতি আগ্ৰহ, মানুহৰ প্ৰতি ভালপোৱা গভীৰ অনুভূতিবোধ আৰু বিনম্ৰ ব্যৱহাৰ জয়ন্তৰ জীৱনৰ একান্ত উপজীৱ্য আছিল। কিন্তু য'ত আত্মসন্মান কিঞ্চিৎমানো আঘাত হোৱাৰ সম্ভাৱনা দেখিছিল, তাতেই

জয়ন্ত বিদ্রোহী হৈ উঠিছিল—নিজৰ ব্যক্তিত্বক জলাঞ্জলি দি 'কম্প্র-মাইজ' কৰা বিধৰ শিল্পী নাছিল জয়ন্ত হাজৰিকা। শিল্পীৰ জীৱন বৰ কষ্টকৰ জীৱন— আনক সুখী কৰা, আনন্দিত কৰাই শিল্পীৰ লক্ষ্য। নিৰাপত্তা বিহীন সংসাৰ একোখন লৈ শিল্পীসকলে দিহিঙে দিপাঙে ক্লান্তিহীন হৈ ঘূৰি ফুৰে—নিজৰ সুখ সমৃদ্ধিৰ কাৰণে নহয়—জনগণৰ কাৰণেহে। আমাৰ সংগীত জগতত থকা এশএবুৰি অসুবিধালৈ আঙুলিয়াই জয়ন্ত হাজৰিকাই কৈছিল— "আমাৰ অসমৰ সংগীত পৰিচালকসকলৰ এশ এবুৰি সমস্যা আছে হয় কিন্তু হলেও সুবিধা অসুবিধাৰ মাজেৰেইতো কাম কৰি যাব লাগিব--কেৱল নাই নাই বুলি চিঞৰি থাকি-লেই সমস্যাৰ সমাধান নহয়—তাৰ কাৰণে প্ৰতিজন শিল্পীয়ে অহোপুৰুষাৰ্থ কৰিব লাগিব।" গীত আৰু সুৰৰ মাজেৰে দেশ আৰু জনসেৱাত আগ্ৰহী জয়ন্ত হাজৰিকা নতুন পুৰুষৰ ন-ন আঁচনিৰ বাবে সঁচাকৈয়ে অনুপ্ৰেৰণাৰ ধ্ৰুৱজ্যোতি স্বৰূপ। তেওঁ সদায় নতুনৰ ৰিঙিও শুনিছিল—নিতে নতুনৰ সৃষ্টিৰ আশা তেওঁৰ নিতে বাঢ়িছিল—

"সোঁৱৰণীৰ কুঁৱলীয়ে চিঞৰি চিঞৰি কয়
অতীতৰ সীমা ৰেখা নাই,
সন্মুখতো দেখো আজি পুৰণি বাগৰি পৰে
নতুনে মাথো ৰিঙিয়ায়॥"

গতিশীল সময়ৰ বাণী অনুৰণিত হৈছিল জয়ন্তৰ গীতৰ সুৰে সুৰে। জয়ন্ত হাজৰিকাৰ জীৱনত তেওঁ গোৱা গীতবোৰৰ

ভিতৰত নিজে ভালপোৱা গীতটি আছিল—

'মৃত্যু সাবটি সমাধি তলত
অকলে আছোঁহি শুই
তুমিনো বাৰু আহিছা কিয়
জ্বলাব শলিতাৰ জুই।”……

জয়ন্তৰ সৰহভাগ গীতৰ কথাৰ মাজতেই মৃত্যু আৰু হেৰাই যোৱাৰ ইঙ্গিত পৰিলক্ষিত হয়—

“এই ঘৰ এৰি, এই ধৰা এৰি
পুৰণি ঘৰলৈ যাম ঘূৰি।”
“মই যি বাটেৰে ওলালো আজি
আৰু নাহোঁ উলটি”—

জয়ন্তৰ এয়া অন্যতম শেহতীয়া গীতৰ কলি। সঁচাকৈয়ে জয়ন্ত উলটি নাহিল। অসমৰ বোলছবি, অনাতাঁৰ কেন্দ্ৰ, বিহুতলি আনকি ভ্ৰাম্যমান থিয়েটাৰতো সংগীত আৰু সুৰেৰে বাইজক মুগ্ধ কৰা শিল্পী সাধক জয়ন্ত হাজৰিকা আজি আমাৰ মাজত নাই; তথাপি পৃথিৱীত যেন তেওঁ এৰি থৈ গ'ল হৃদয়ৰ এক নিবিড় সুৰেৰে বন্ধা এক মিনতি—

“মোৰ মিনতি তৰা হয় যদি
তোমাৰ আকাশ চুব
মোৰ এই গান যদি ফুল হয়
তোমাৰ বনত ৰ'ব॥
মোৰ এই কথা যদি সুৰ হয়

মোৰ এই সুৰ যদি জোন হয়,
সেই জোনে শুনা জোনালী মায়াৰে
সৰু সুৰুঙাৰে মনে মনে গৈ
তোমাৰ মুখতে ৰ'ব ॥
মই নেথাকিলেও সাঁজৰ তৰাই
মোৰেই কথাকে ক'ব ॥

'সুৰ-বাহিনী'ৰ নায়ক সুৰে ছন্দে গানে গানে জয়ৰ অন্ত নোহোৱা জয়ন্ত হাজৰিকাৰ আধৰুৱা স্বপ্ন আধা গোৱা গানবোৰে আৰু বহুতো জয়ন্তৰ মাজেদি জন্ম লৈ অসমী আইৰ গৌৰৱ অক্ষুন্ন ৰাখক—এই কামনাৰে।

—:০:—

## ঃ লেখকৰ খনচেৰেক প্ৰকাশিত পুথি ঃ

১। ভক্ত-সাধিকা মীৰাবাঈ (১৯৬৮ চন)
২। মাধ্যম-আন্দোলনৰ পঞ্চ-শ্বহীদ (১৯৭২ চন)
৩। বোটলা ফুলৰ থোপা (১৯৭৫ চন)
৪। বিদ্যাৰ্থীৰ ৰঘুনাথ চৌধাৰী (১৯৭৬ চন)
৫। গণ-শিল্পীৰ জীৱন বিচিত্ৰা (১৯৭৯ চন)
৬। বহুৰঙী কামৰূপী লোকগীত।
৭। অসমীয়া সাহিত্য সম্বাদ (প্ৰকাশৰ পথত)

D C Library
898

DAMDAMA COLLEGE LIBRARY

Date Label

## DAMDAMA COLLEGE LIBRARY

The book taken from the Library is to be returned within 15 days. A fine of Rs. 0·10 paise will be charged under the rules of the Library for each day the book is kept beyond time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| | | | |

N.B.--Book lost, defaced or injured in any way shall have to be replaced by the borrower.